মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ

# অৰ্জুন-ভঞ্জন নাট

( নাটৰ বিস্তৃত আলোচনা, মূলপাঠ আৰু শব্দাৰ্থ সহ )

Nowgong Girls' College Library
Acc. No. 12066
Date 11.1.85
Nowgong ( Assam )

অধ্যাপক শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ এম, এ
নগাঁও ছোৱালী কলেজ

KOHA
Mahesh Ch. Dev Goswami Library
Nowgong Girls' College

Miss Anli Bora
Nowgong college 34 (Day)
St 9/I

জ্যোতিৰেখা
আমোলাপট্টি ঃ নগাঁও

# সূচী


(ক) ভূমিকা ঃ

১। অসমীয়া নাট্য-সাহিত্যলৈ মাধৱদেৱৰ অৱদান ঃ ১

২। মাধৱদেৱ বিৰচিত উদ্ধাৰ নোহোৱা নাট তিনিখন ঃ ২

৩। মাধৱদেৱৰ ভণিতা থকা সন্দেহযুক্ত নাট বা ঝুমুৰা ঃ ৩

৪। মাধৱদেৱৰ সন্দেহবিহীন নাট বা ঝুমুৰা ঃ ৪

৫। নাট কেইখন ৰচনাৰ কাল আৰু স্থান ঃ ৫

৬। নাট কেইখনৰ মূল আৰু বিষয়বস্তু ঃ ৮

৭। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাটৰ পাৰ্থক্য ঃ ৯

৮। ঝুমুৰা ঃ ১০

৯। মাধৱদেৱৰ ঝুমুৰা ঃ একাঙ্কিকা বা একাঙ্ক-নাট ঃ ১০

১০। অৰ্জুন-ভঞ্জন ( দধি-মথন ) ঃ কাহিনী ভাগ ঃ ১৮

১১। অৰ্জুন-ভঞ্জন নাটৰ মূল ঃ নাট্যকাৰৰ মৌলিকতা ঃ ১[illegible]

১২। চৰিত্ৰ ঃ শ্ৰীকৃষ্ণ আৰু যশোদা ঃ ১[illegible]

১৩। নাটৰ ৰস ঃ ২৫

(খ) অৰ্জুন-ভঞ্জন

( মূলপাঠ, শব্দাৰ্থ টোকাসহ ) (১-২৪)


—ঃ—


891.451
MA:2487


# ভূমিকা

## অসমীয়া নাট্য-সাহিত্যলৈ মাধৱদেৱৰ অৱদান

জাতীয় সংস্কৃতিৰ জনক, অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰবৰ্তক মহাপুৰুষ শঙ্কৰদেৱৰ পূৰ্বে অসমীয়া নাট্য-সাহিত্যৰ ইতিহাসত কোনো নাট্যকাৰৰ নাম পোৱা নাযায়। সেই-বাবে মহাপুৰুষজনাক প্ৰথম অসমীয়া নাট্যকাৰ তথা অসমীয়া নাটৰ জনক আখ্যা দিয়া হৈছে। মহাপুৰুষ শঙ্কৰদেৱৰ আদৰ্শৰে উদ্বুদ্ধ হৈ নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাৰণে দেহ-প্ৰাণ উছৰ্গা কৰা আনজনা বহুমুখী প্ৰতিভাশালী ব্যক্তি আৰু সাহিত্যিক হ'ল মহাপুৰুষ মাধৱদেৱ। অসমৰ নানা ঠাইত সত্ৰ প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰচাৰ কৰাৰ উপৰিও, মাধৱপুৰুষে কাব্য, গীত-বৰগীত-ভটিমা, পদ-পুথি, নাট বা ঝুমুৰা ৰচনা কৰি মহাপুৰুষ শঙ্কৰদেৱৰ ভক্তি-আন্দোলন সাফল্য-মণ্ডিত কৰি তুলিছিল। অসমীয়া নাট্য-সাহিত্যৰ আলোচকে মহাপুৰুষ শঙ্কৰদেৱৰ পিছতে কৃতী নাট্যকাৰ মাধৱপুৰুষৰ নাম নাট-সাহিত্যৰ আলোচনা প্ৰসঙ্গত নিশ্চয়কৈ লব লাগিব।

মহাপুৰুষ মাধৱদেৱৰ ভণিতাযুক্ত নখন নাট বা ঝুমুৰা পোহৰলৈ আহিছে। এই নখন নাটৰ উপৰিও 'চৰিত পুথি'ৰ বিৱৰণৰ পৰা মাধৱদেৱ বিৰচিত আন তিনিখন নাট ( যাত্ৰা ) ৰ কথা পোৱা যায়। সেই হিচাপত মাধৱদেৱৰ নাট বা অঙ্কৰ সংখ্যা হয় গৈ সৰ্বমুঠ বাৰখন। মাধৱদেৱৰ ভণিতাযুক্ত উদ্ধাৰ হোৱা নাট নখন হ'ল, (১) অৰ্জুন-ভঞ্জন ( দধি-মথন ) (২) চোৰধৰা (৩) পিম্পৰা-গুচোৱা (৪) ভোজন-বিহাৰ ( ব্যৱহাৰ ) (৫) ভূমি-লুটিয়া (৬) কোটোৱা-খেলা (৭) ব্ৰহ্মামোহন (৮) ভূষণ-হৰণ আৰু

(৯) ৰাস-ঝুমুৰা। বৰ্ত্তমান উদ্ধাৰ নোহোৱা 'চৰিত পুথি'ৰ বিৱৰণৰ পৰা জানিব পৰা মাধৱদেৱৰ নাট তিনিখন হ'ল, (১) ৰাম-যাত্ৰা (ভাওনা) (২) গোবৰ্দ্ধন-যাত্ৰা আৰু (৩) নৃসিংহ-যাত্ৰা।

## মাধৱদেৱ বিৰচিত উদ্ধাৰ নোহোৱা নাট তিনিখন

'ৰাম-ভাওনা', 'গোবৰ্দ্ধন-যাত্ৰা' আৰু 'নৃসিংহ-যাত্ৰা' উদ্ধাৰ হোৱা নাই যদিও নাট তিনিখন মাধৱদেৱ বিৰচিত বুলি ধৰি লব পাৰি। মাধৱদেৱ আছিল সুদক্ষ অভিনেতা, গীতিকাৰ, সুৰকাৰ আৰু শ্ৰেষ্ঠ নাট্যকাৰ। নিজে পৰিচালনা কৰি, অভিনয়ত অংশ গ্ৰহণ কৰি নাট তিনিখন কৃতকাৰ্য্যতাৰে মঞ্চস্থ কৰা বিৱৰণ 'কথা-গুৰু-চৰিত' পুথিত আছে। 'ৰাম-ভাওনা'ত ভগবান শ্ৰীৰামৰ জন্মৰ পৰা মহাপ্ৰয়াণলৈ সকলো ঘটনা চিত্ৰিত কৰি মাধৱপুৰুষে নিজে ভাওনাত অংশ গ্ৰহণ কৰি অতি অদ্ভুত আশ্চাৰ্য্যভাৱে নাটখন প্ৰদৰ্শন কৰি দেখুৱাইছিল। এনে ভাওনা কৃতকাৰ্য্যতাৰে পিছলৈ কৰাটো দুঃসাধ্য আৰু অতি দীঘলীয়া হোৱা বাবে নাটখন পুৰি নষ্ট কৰা হয়। ভক্তসকলৰ মুখত এই নাটৰ দুটা গীত থাকি গ'ল- (১) সিন্ধুৰা ৰাগৰ—

"জয় জয় ৰামৰাঘৱ ৰঘুকুল-পঙ্কজ দিনকৰ ৰাম মুৰাৰী।
যো পদ-কমল সুৰাসুৰে সেৱত সকল ভুৱন অধিকাৰি॥"

...ইত্যাদি আৰু (২) বেলোৱাৰ ৰাগৰ—

"দেখুৱে নয়ন ভৰি লোই। পৰমপুৰুষ ৰাম ৰাজা হোই॥

...ইত্যাদি। উক্ত গীত দুটি বৰগীত পুথিৰ অন্তৰ্ভুক্ত হৈ আছে।

'কথা-গুৰু-চৰিত'ৰ পৰা জনা যায় যে দেশত অনাবৃষ্টি হোৱাত ভক্তবৃন্দই গুৰুজনা (মাধৱদেৱ) ক কিবা এটা উপায় চিন্তিবলৈ প্ৰাৰ্থনা কৰাত "গুৰুজনে বোলে, গোবৰ্দ্ধন-যাত্ৰাটি কৈলে হ'ব।" সুন্দৰীদিয়াত মাধৱদেৱে নিজে ভাও লৈ এই নাটখন অভিনয় কৰে। নাটখন যে মাধৱদেৱ বিৰচিত



এই বিষয়ে কোনো সন্দেহ নাই। কিয়নো, তেওঁৰ জীৱিত অৱস্থাত আন কোনো নাট্যকাৰে এই নাটখন ৰচনা কৰা নাছিল আৰু কৰাটো সম্ভৱপৰো নাছিল। 'নৃসিংহ-যাত্ৰা' মাধৱদেৱে ৰচনা কৰি দক্ষিণকুলৰ মালচাত নৃসিংহৰ ভাও লৈ কৃতকাৰ্য্যতাৰে অভিনয় কৰিছিল।

উক্ত নাট তিনিখনৰ ভিতৰত 'ৰাম-যাত্ৰা' (ভাওনা) পুৰি নষ্ট কৰা কথা 'চৰিত-পুথি'ত কোৱা হৈছে, কিন্তু বাকী দুখন নাট (গোবৰ্দ্ধন-যাত্ৰা আৰু নৃসিংহ-যাত্ৰা) আজিকোপতি পোহৰলৈ অহা নাই। এই নাট তিনিখনক যাত্ৰা বা ভাওনা বোলা হৈছে। তাৰ উপৰিও, নাট তিনিখন দীৰ্ঘ অৱয়বৰ সম্পূৰ্ণাঙ্গ কাহিনীযুক্ত। গতিকে মহাপুৰুষ শঙ্কৰদেৱৰ নাট্য-ৰীতিৰ অনুকৰণত নাটকেইখন মাধৱদেৱে ৰচনা কৰিছিল বুলি বুজিব পাৰি।

## মাধৱদেৱৰ ভণিতা থকা সন্দেহযুক্ত নাট বা ঝুমুৰা

মাধৱদেৱৰ ভণিতা থকা যি নখন নাট উদ্ধাৰ হৈছে, সেই আটাইকেইখন নাট মাধৱদেৱ-স্বৰচিত বুলি দৃঢ়তাৰে কৈ সমালোচকসকল একমতত উপনীত হ'বলৈ নিষ্কণ্টক পথ বিচাৰি পোৱা নাই। মাধৱদেৱ আছিল ভক্ত-কবি আৰু প্ৰতিভাশালী শিল্পী-সাহিত্যিক। সেইকাৰণে যিবোৰ নাট বা সাহিত্যই তেওঁৰ প্ৰতিভা ক্ষুণ্ণ কৰিব পাৰে, সিবোৰক মাধৱদেৱৰ ৰচনা বুলি কোৱাটো সমীচীন নহ'ব। ভক্ত-নাট্যকাৰ মাধৱদেৱৰ ৰচনাৰ গুণ আৰু লক্ষণৰ হীনদেঢ়ি ঘটা বাবে নখন নাটৰ ভিতৰত চাৰিখন নাট মাধৱদেৱ বিৰচিত হয় নে নহয় এই বিষয়ে সন্দেহৰ অৱতাৰণা কৰা হৈছে। সন্দেহযুক্ত ঝুমুৰা চাৰিখন হ'ল, (১) কোটোৱা-খেলা (২) ব্ৰহ্মামোহন (৩) ভুষণ-হৰণ আৰু (৪) ৰাস-ঝুমুৰা। এই ঝুমুৰা কেইখন মাধৱদেৱ ভণিতাযুক্ত যদিও যি যি গুণ আৰু লক্ষণৰ দ্বাৰা তেওঁৰ ৰচনা পৰিপুষ্ট হোৱা আৱশ্যক

তেনে গুণ আৰু লক্ষণ নথকা বাবে এইকেইখনক মাধৱদেৱ বিৰচিত বুলি কোৱাৰ সবল যুক্তি নাই। নাট চাৰিখন মাধৱদেৱ বিৰচিত কিয় নহ'ব পাৰে, তাৰ কেইটামান কাৰণ যুক্তিৰে পণ্ডিতসকলে ফঁহিয়াই দেখুৱাইছে।

১। যি পাঁচখন নাট মাধৱদেৱ বিৰচিত বুলি নিঃসন্দেহে কোৱা হৈছে, সেই কেইখনৰ আৰম্ভণিত নান্দী-শ্লোক আৰু মাজে মাজে সংস্কৃত-শ্লোক দেখিবলৈ পোৱা যায়। কিন্তু সন্দেহযুক্ত নাট কেইখনত নান্দী-শ্লোক বা সংস্কৃত-শ্লোক চকুত নপৰে।

২। অসমীয়া বৈষ্ণৱ সাহিত্যত ৰাধা-চৰিত্ৰৰ স্থান নাই। ক'ৰবাত ৰাধাৰ উল্লেখ থাকিলেও সি তেনেই গৌণ বা পতনুৱা। বিশেষকৈ, শঙ্কৰদেৱ আৰু মাধৱদেৱৰ ৰচনাত ৰাধা চৰিত্ৰ অঙ্কন হোৱাটো ভাবিবলগীয়া কথা। কিন্তু আচৰিত কথা, মাধৱদেৱৰ ভণিতা থকা 'কোটোৰা-খেলা' 'ভূষণ-হৰণ' আৰু 'ৰাস-ঝুমুৰা'ত ৰাধাক প্ৰধান চৰিত্ৰ হিচাবে চিত্ৰিত কৰা হৈছে।

৩। মাধৱদেৱৰ দৰে প্ৰতিভাসম্পন্ন শিল্পী-কবি-নাট্যকাৰে এখন নাটত ব্যৱহাৰ কৰা গীত-ভটিমা আন নাটত কেতিয়াও ব্যৱহাৰ নকৰে। তেনে কৰা বুলি মানি ললে তেওঁৰ প্ৰতিভাক ক্ষুণ্ণ ক'ৰাহে হ'ব। 'ভোজন-বিহাৰ'ত ব্যৱহাৰ কৰা ভটিমাটি আৰু কেইটামান গীত 'ব্ৰহ্মামোহন'ত দেখিবলৈ পোৱা যায়। মাধৱদেৱ বিৰচিত বৰগীত কেইটামান 'কোটোৰা-খেলা' আৰু 'ভূষণ-হৰণ'তো ব্যৱহাৰ কৰা হৈছে।

৪। সুপ্ৰতিভাশালী কবি-সাহিত্যিক মাধৱদেৱৰ ভাষা গভীৰ, সুৰুচিপূৰ্ণ আৰু সুমধুৰ। কিন্তু 'কোটোৰা-খেলা' ঝুমুৰাত প্ৰয়োগ কৰা অমাৰ্জিত আৰু নিম্নৰুচিৰ ভাষা মাধৱদেৱৰ ভাষা বুলি ক'বলৈ দ্বিধা জন্মে।

৫। মাধৱপুৰুষ আছিল চিৰকুমাৰ। তেওঁ ভগৱানৰ শিশু-



-লীলা অঙ্কন কৰাত সিদ্ধহস্ত আৰু তেওঁৰ ৰচনাত ভগৱানৰ শিশু-লীলাহে প্ৰকাশ পাইছে। মাধৱদেৱৰ ৰচনাত যুৱক-যুৱতীৰ প্ৰেমলীলা চিত্ৰিত হোৱাটো অসম্ভৱ কথা। 'ভূষণ-হৰণ,' 'ৰাস-ঝুমুৰা', 'কোটোৰা খেলা'ত যুৱক-যুৱতীৰ প্ৰেমলীলাৰ বৰ্ণনা অঙ্কিত হৈছে।

৬। আমাৰ বৈষ্ণৱ সন্ত-মহন্তৰ প্ৰবাদমতেও দুজনা গুৰুৰ ৰচিত বাৰ অঙ্ক বা নাট। শঙ্কৰদেৱ ৰচিত উদ্ধাৰ হোৱা ছয়খন নাট আছেই। গতিকে সত্ৰীয়া প্ৰবাদমতেও মাধৱদেৱৰ নখন নাট হ'ব নোৱাৰে। তেওঁৰ নাট পাঁচ বা ছয়খনহে হ'ব।

উক্ত কাৰণসমূহ ফঁহিয়াই চাই ক'ব পাৰি যে মাধৱদেৱৰ ভণিতাযুক্ত 'কোটোৰা-খেলা,' 'ব্ৰহ্মা-মোহন,' ভূষণ-হৰণ' আৰু 'ৰাস-ঝুমুৰা' মাধৱদেৱ বিৰচিত অঙ্ক বা ঝুমুৰা নহয়। এইখিনিতে সাধাৰণতে এটা প্ৰশ্নৰ অৱতাৰণা হ'ব পাৰে! আলোচ্য চাৰিখন ঝুমুৰা যদি মাধৱদেৱ বিৰচিত নহয়, তেনেহলে মাধৱদেৱৰ ভণিতা পৰিল কেনেকৈ? এই প্ৰশ্নৰ উত্তৰ অতি সহজ আৰু শোনপটীয়া। মহাপুৰুষ শঙ্কৰ-মাধৱৰ অপৰিসীম গুণ-গৰিমা, যশস্যা আৰু অতুলনীয় সাহিত্য-প্ৰতিভা চন্দ্ৰ-দিবাকৰৰ জ্যোতিৰ দৰে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি পৰিছিল আৰু সেইবাবে তেওঁলোকৰ গীত-বৰগীত, কাব্য, নাট সকলোৰে অতি আকৰ্ষণীয় আৰু আদৰণীয় হৈ পৰিছিল। আনকি, বৈষ্ণৱ গুৰু দুজনাৰ প্ৰতি জনসাধাৰণ ইমান বেচি আকৃষ্ট হৈছিল যে তেওঁলোকৰ গীত-পদ শুনি গুণীৰ গুণ বুজোঁতাসকলে গুৰু দুজনাৰ সান্নিধ্যলৈ আহি নতজানু হৈ শৰণ মাগিছিল আৰু শঙ্কৰদেৱ-মাধৱদেৱে ৰচনা কৰা গীত-পদ কণ্ঠস্থ কৰি লৈছিল। গতিকে গুৰু দুজনাৰ বৈকুণ্ঠ-প্ৰয়াণৰ পিছত পৰৱৰ্তী কোনো অখ্যাত কবি-সাহিত্যিকে জনপ্ৰিয়তা অৰ্জ্জন কৰি

প্ৰচাৰৰ প্ৰসাৰতাৰ বাবে জনপ্ৰিয় কবি-নাট্যকাৰৰ ভণিতাৰে গীত-পদ, নাট প্ৰণয়ন কৰি উলিওৱা একো অসম্ভৱ কথা নহয়। শঙ্কৰদেৱৰ ভণিতাযুক্ত 'নাম মালিকা' আৰু মাধৱ-দেৱৰ ভণিতা থকা 'গুপ্তমণি', 'আদি-চৰিত' প্ৰভৃতি পুথি আৰু দেহবিচাৰৰ অনেখ গীত-পদ নিঃসন্দেহে তেওঁলোকৰ স্বৰচিত নহয় বুলি ক'ব লাগিব। গতিকে সেই একে যুক্তিৰে আমাৰ আলোচ্য উক্ত সন্দেহযুক্ত নাট চাৰিখন পৰৱৰ্ত্তী কোনো নাট্যকাৰে প্ৰণয়ন কৰি মাধৱপুৰুষৰ ভণিতা পেলাই প্ৰচাৰৰ সুবিধা গ্ৰহণ কৰিছিল বুলি অনুমান কৰাত কিবা আপত্তি থাকিব পাৰে বুলি আমি নাভাবোঁ।

## মাধৱদেৱৰ সন্দেহবিহীন নাট বা ঝুমুৰা

নাট্যকাৰ মাধৱদেৱ-স্বৰচিত বুলি কোনো তৰ্কৰ আশ্ৰয় নোলোৱাকৈ মানি ল'ব পৰা অন্ধকাৰৰ পৰা পোহৰলৈ অহা নাট বা ঝুমুৰা পাঁচখন হ'ল ; (১) অৰ্জুন-ভঞ্জন' (২) চোৰধৰা (৩) পিম্পৰা-গুচোৱা (৪) ভোজন-বিহাৰ আৰু (৫) ভূমি-লুটিয়া। এই পাঁচখন নাট মাধৱদেৱ-স্বৰচিত বুলি পণ্ডিতসকল একমতত উপনীত হৈছে। আমাৰ সত্ৰীয়া প্ৰবাদমতে দুজনা গুৰু ৰচিত অঙ্ক বা নাটৰ সংখ্যা বাৰখন। এই বাৰখনৰ ভিতৰত ছয়খন শঙ্কৰদেৱ আৰু ছয়খন মাধৱদেৱ বিৰচিত বুলি অনুমান কৰা হয়। শঙ্কৰদেৱ ৰচিত (১) পত্নী-প্ৰসাদ (২) কালীয়-দমন (৩) কেলি-গোপাল (৪) ৰুক্মিণী-হৰণ (৫) পাৰিজাত-হৰণ আৰু (৬) শ্ৰীৰাম-বিজয় ( সীতা-স্বয়ম্বৰ ) এই ছয়খন নাট উদ্ধাৰ হৈছে। কিন্তু মাধৱদেৱ ৰচিত সন্দেহবিহীন নাট পাঁচ-খনহে আছে। তেতিয়াহলে বৈষ্ণৱ গুৰু দুজনা ৰচিত নাটৰ সংখ্যা হয় গৈ এঘাৰখনহে। সেই কাৰণে, সত্ৰীয়া প্ৰবাদৰ বাৰখন নাট দেখুৱাবলৈ কিছুমান সমালোচকে



মাধৱদেৱৰ পাঁচখনৰ লগত আৰু এখন নাট যোগ দি মাধৱ-দেৱৰ ছয়খন নাট কৰিবলৈ বিচাৰিছে। এই প্ৰসঙ্গত কোনোৱে উদ্ধাৰ নোহোৱা 'নৃসিংহ-যাত্ৰা' কোনোৱে সন্দেহ-যুক্ত 'ভূষণ-হৰণ'ৰ কথা উল্লেখ কৰে। 'নৃসিংহ-যাত্ৰা'ৰ দৰে 'গোবৰ্দ্ধন-যাত্ৰা'কো এই হিচাবত কোনোৱে উল্লেখ কৰাটো একো আচৰিত কথা নহ'ব। মুঠতে মাধৱদেৱৰ কোনখন নাট সন্দেহহীন নাট পাঁচখনৰ লগত যোগ হ'ব পাৰে তাৰ স্পষ্ট যুক্তি বিশেষ একো নাই। এই প্ৰসঙ্গত শঙ্কৰদেৱৰ উনৈশ বছৰ বয়সত ৰচনা কৰা প্ৰথম নাট 'চিহ্নযাত্ৰা'ৰ কথা মনত পেলাব পাৰি। এই নাটখনৰ সফল অভিনয়ে (বৰদোৱাত) দৰ্শকৰ মন প্ৰাণ মুহিছিল। যদিও নাট খন পাবলৈ নাই, সত্ৰীয়া লোকে নাটখনৰ কথা সদায় উনকিয়াই থাকে। গতিকে, যদি 'চিহ্নযাত্ৰা'ক হিচাবত ধৰি শঙ্কৰদেৱৰ উদ্ধাৰ হোৱা নাট ছয়খনৰ লগত সাতখন বুলি ধৰা হয়, তেতিয়া হলে মাধৱদেৱৰ সন্দেহবিহীন নাট পাঁচখনৰ লগত সত্ৰীয়া প্ৰবাদৰ বাৰ অঙ্ক ( নাট ) ৰ হিচাব পূৰ্ণ হৈ পৰে। এই কথা বিশেষ মন কৰিবলগীয়া

## নাট কেইখন ৰচনাৰ কাল আৰু স্থান

'অৰ্জুন-ভঞ্জন' মহাপুৰুষ মাধৱদেৱৰ প্ৰথম নাট। পূৰ্ণাঙ্গ ঘটনাযুক্ত এই নাটখনি মহাপুৰুষ শঙ্কৰদেৱৰ নাট্য-ৰীতিৰ অনুকৰণত ১৫৪৮-১৫৫৫ খৃঃৰ ভিতৰত মাধৱদেৱে গণককুছিত প্ৰণয়ন কৰিছিল। শঙ্কৰদেৱৰ জীৱিতাৱস্থাত ৰচিত এই নাটখনৰ অভিনয়ত শঙ্কৰদেৱ আৰু মাধৱদেৱে ভাও লৈ অভিনয়ো কৰিছিল। 'ভোজন-বিহাৰ' ঝুমুৰাখন ১৫৮০-৮৫ খৃস্টাব্দৰ ভিতৰত বৰপেটাত ৰচনা কৰিছিল বুলি অনুমান কৰা হৈছে। মাধৱদেৱৰ 'চোৰধৰা', 'পিম্পৰা-গুচোৱা' আৰু 'ভূমি-লুটিয়া' সুন্দৰীদিয়াত ১৫৬৮-৮০

খৃষ্টাব্দৰ ভিতৰত ৰচনা কৰা ঝুমুৰা । তেওঁৰ সন্দেহযুক্ত নাট পাঁচখনৰ ভিতৰত 'অৰ্জুন-ভঞ্জন' খন মহাপুৰুষ শঙ্কৰদেৱৰ জীৱিতাৱস্থাত ৰচিত, আৰু বাকী চাৰিখন মহাপুৰুষজনাৰ মহাপ্ৰয়াণৰ পিছত ৰচিত বুলি অনুমান কৰা হৈছে ।

## নাট কেইখনৰ মূল আৰু বিষয়বস্তু

পূৰ্ণাঙ্গ ঘটনাযুক্ত মহাপুৰুষ শঙ্কৰদেৱৰ নাট্য-ৰীতিৰ অনুকৰণত ৰচনা কৰা 'অৰ্জুন-ভঞ্জন'ৰ মূল মাধৱদেৱে গ্ৰহণ কৰিছে ভাগৱতৰ দশম স্কন্ধৰ পৰা । নাটৰ নান্দী-শ্লোক আৰু আন তিনিটা সংস্কৃত-শ্লোক বিল্বমঙ্গলৰ 'কৃষ্ণ কৰ্ণামৃত' গ্ৰন্থৰ পৰা লৈ নাট্যকাৰে নাটখন অধিক মনোমোহা কৰি তুলিছে । দুষ্ট শ্ৰীকৃষ্ণক দধি চোৰ অপৰাধত মাক যশোদাই উৰলত বান্ধি থোৱাত দুষ্ট পুতেক শ্ৰীকৃষ্ণই উৰলৰ লগতে চুচৰি গৈ যমলাৰ্জুন গছত খুন্দা খাই কেনেকৈ গছ দুজোপা ভাঙি পেলালে আৰু তাৰপৰা শাপ-ভ্ৰষ্ট নল আৰু মণিগ্ৰীৱ কুৱেৰদ্বয়ে দিব্যৰূপ লাভ কৰিলে তাৰে এটি বিৱৰণ দাঙি ধৰি মাধৱদেৱে শিশু কৃষ্ণৰ অচিন্ত্য মহিমা বেকত কৰিছে- 'অৰ্জুন-ভঞ্জন' নাটত । 'ভোজন-বিহাৰ' ঝুমুৰাৰ বিষয়বস্তুও ভাগৱতৰ দশম স্কন্ধৰ । বৃন্দাবনত গৰু চাৰিবলৈ যোৱা শিশু শ্ৰীকৃষ্ণ আৰু গৰ-খীয়াবিলাকে বনভোজ খাবলৈ বহাত গৰুবিলাক নাইকিয়া হোৱা আৰু শ্ৰীকৃষ্ণই-বিচাৰি হাবাথুৰি খাই শেষত ব্ৰহ্মাই গৰু-গোৱৰ্ক্ষবোৰ চুৰি কৰা বুলি বুজিপোৱা কথাখিনিৰে 'ভোজন-বিহাৰ' ঝুমুৰা সমাপ্ত কৰা হৈছে ।

মাধৱদেৱৰ আন তিনিখন ঝুমুৰা 'চোৰধৰা', 'পিম্পৰা-গুচোৱা' আৰু 'ভূমি-লুটিয়া' চৈধ্য শতিকাৰ পৰম বৈষ্ণৱ কবি বিল্বমঙ্গল বা লীলা শুকৰ বাৰটা তৰঙ্গযুক্ত



'কৃষ্ণ-কৰ্ণামৃত' গ্ৰন্থৰ শ্লোকৰ আধাৰত ৰচিত । হাতে লোতৰে ধৰা পৰা অঘাইত চোৰ শ্ৰীকৃষ্ণই কেনেকৈ গোপী-বিলাকক ৰাজমাৰ্গলৈ লৈ গৈ ওলোটাই চোৰ সাব্যস্ত কৰি মাক যশোদাৰ বুকুত সোমাই মৰম-স্নেহ আদায় কৰিলে তাৰে এখনি সুন্দৰ চিত্ৰ 'চোৰধৰা'ত আৰু গোপীৰ ঘৰৰ ভিতৰত সোমাই লৱণু চুৰি কৰা কাৰ্য্যত ধৰা পৰি শ্ৰীকৃষ্ণই গোপীৰ হাতৰ পৰা সুচতুৰ বাক্য প্ৰয়োগ কৰি ৰক্ষা পৰিল যদিও মাক যশোদাই এই অপৰাধ সহ্য নকৰি কঠোৰ শাস্তি বিহিবলৈ উদ্যত হোৱাত কেনেকৈ শিশু কৃষ্ণই সমুচিত বাক্য-বাণেৰে যশোদাৰ কটা ঘাঁত চূণ বাকি নিৰুত্তৰ কৰিলে তাৰে উজ্বল ছবি এখন অঙ্কন কৰিছে 'পিম্পৰা-গুচোৱা' ঝুমৰাত । 'ভূমি- লুটিয়া'ত গৃহৰ ভিতৰত মনে মনে লৱণু চুৰি কৰি খাই থকা অৱস্থাত মাক যশোদাক হঠাতে শ্ৰীকৃষ্ণই দেখি মাটিত বাগৰি পৰি কান্দিবলৈ ধৰাত যশোদাই বান্দৰৰ উৎপাতত ক্ষীৰ-লৱণু নাশ হৈছে বুলি কৈ পুতেকক মৰমেৰে কোলাত তুলি লৈ লৱণু খাবলৈ দিয়াত পৰম তৃপ্তিৰে শ্ৰীকৃষ্ণই কেনেকৈ নৃত্য কৰিবলৈ ধৰিলে তাৰে এটি মনোমোহা বৰ্ণনা চিত্ৰিত কৰা হৈছে ।

## শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাটৰ পাৰ্থক্য :—

জগতৰ যিকোনো প্ৰতিভাশালী কবি-সাহিত্যিকৰ ৰচনাত স্বকীয় বৈশিষ্ট্য পৰিলক্ষিত হ'বই । পূৰ্ব্ববৰ্ত্তী কাৰোবাৰ প্ৰভাৱ ক'ৰবাত পৰিলেও তেওঁলোকৰ অন্ধ অনুকৰণ প্ৰতিভাশালী কবি-সাহিত্যিকে কৰিবলৈ নিবিচাৰে । মহাপুৰুষ মাধৱদেৱ আছিল প্ৰতিভাশালী কবি-নাট্যকাৰ । তেওঁ আছিল অসমৰ নৱ-বৈষ্ণৱ ধৰ্ম্মৰ প্ৰবৰ্ত্তক মহাপৰুষ শঙ্কৰদেৱৰ একান্ত শিষ্য আৰু সেইবাবে গুৰুজনাৰ দৰে কাব্য-গীত -পদ আদি

ৰচনা কৰি ভগবান শ্ৰীকৃষ্ণৰ লীলা-মাহাত্ম্য জনসমাজত প্ৰচাৰ কৰিছিল। মন কৰিবলগীয়া, গুৰুজনাৰ নাট্য-ৰীতিৰ অন্ধ-অনুকৰণ কৰি মাধৱদেৱে স্বকীয় প্ৰতিভাক ক্ষুণ্ণ হ'বলৈ নিদিলে। শঙ্কৰদেৱৰ জীৱিতাৱস্থাত গণককুছিত মাধৱদেৱে 'অৰ্জুন-ভঞ্জন' নাট ৰচনা কৰিছিল। নাটখনৰ অভিনয়ত শঙ্কৰদেৱে অংশ গ্ৰহণ কৰিছিল। 'অৰ্জুন-ভঞ্জন' নাটত শঙ্কৰদেৱৰ নাট্য ৰীতিৰ অনুকৰণ স্বীকাৰ্য্য। কিন্তু 'চোৰধৰা, 'পিম্পৰা-গুচোৱা', 'ভূমি-লুটিয়া, 'ভোজন-বিহাৰ'ত শঙ্কৰদেৱৰ নাট্য ৰীতি মাধৱদেৱে উলঙ্ঘা কৰিছে। আৰু সেইবাবে এই নাট কেইখনৰ ৰচনাত সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হৈছে। মন কৰিবলগীয়া যে শঙ্কৰদেৱৰ নাট্য-ৰীতিৰ পৰা আতঁৰি গৈ ৰচনা কৰা নাট বা অঙ্ক চাৰিখন বিশেষভাৱে 'ঝুমৰা' নামেহে জনাজাত। ভালদৰে ফঁহিয়াই চালে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাটৰ মাজত কিছুমান বিষয়ত পাৰ্থক্য চকুত পৰে। পাৰ্থক্যসমূহ উল্লেখ কৰি দেখুওৱা হ'ল,।

(১) অসমীয়া নাটৰ জন্মদাতা শঙ্কৰদেৱৰ নাটকবোৰক যাত্ৰা, ভাওনা নাট, অঙ্ক আদি বুলিহে কোৱা হৈছে। তেওঁৰ নাটক ঝুমুৰা বুলি কোৱা হোৱা নাই। কিন্তু মাধৱদেৱৰ 'অৰ্জুন-ভঞ্জন'ক বাদে আনবোৰ নাটক ঝুমুৰা বুলি নামকৰণ কৰা হৈছে। গতিকে নামকৰণতে দুয়োজনা নাট্যকাৰৰ নাটৰ মাজত পাৰ্থক্য থকা বুলি সহজে বজিব পাৰি।

(২) শঙ্কৰদেৱৰ নাট দীৰ্ঘ কলেৱৰৰ আৰু প্ৰতিখন নাটতে স্বয়ংসম্পূৰ্ণ কাহিনী একোটি প্ৰকাশ পাইছে। কিন্তু মাধদেৱৰ ঝুমুৰা ক্ষুদ্ৰকলেৱৰৰ আৰু সেইবাবে সম্পূৰ্ণ কাহিনী তেওঁৰ ঝুমুৰাত চিত্ৰিত হোৱা নাই। কোনো মুহূৰ্ত অৰ্থাৎ এবেলা বা এদিনৰ ঘটনাহে মাধৱদেৱৰ ঝুমুৰাত চিত্ৰিত হৈছে।

(৩) শঙ্কৰদেৱৰ নাটবোৰত প্ৰস্তাৱনা, প্ৰৱেশ-শ্লোক, প্ৰৱেশ-গীত, পয়াৰ, মুক্তি-মঙ্গল ভটিমা আছে; মাধৱদেৱৰ ঝুমুৰাত ইবোৰ দেখিবলৈ পোৱা নাযায়। মন কৰিবলগীয়া শঙ্কৰদেৱৰ দৰে মাধৱদেৱে নাটত নান্দী-শ্লোক আৰু আন আন শ্লোক ব্যৱহাৰ কৰা নাই। তেওঁৰ



নাটত শ্লোকৰ সংখ্যা তেনেই কম। গতিকে বুজা যায় নাটকীয় কলা-কৌশলৰ ক্ষেত্ৰতো মাধৱদেৱে শঙ্কৰদেৱক মানি চলিবলৈ বিচৰা নাই।

(৪) মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত ছয়খন নাট পোহৰলৈ আহিছে। তেওঁৰ নাটৰ বিষয়-বস্তু ভাগৱত, পুৰাণ আৰু 'ৰামায়ণ'ৰ পৰা লোৱা। কিন্তু মাধৱদেৱে বিষয়-বস্তু গ্ৰহণৰ ক্ষেত্ৰত প্ৰধানকৈ বিল্বমঙ্গল বা লীলাশুকৰ 'কৃষ্ণ-কৰ্ণামৃত' গ্ৰন্থৰহে ওচৰ চাপিছে। 'চোৰধৰা'· 'পিম্পৰা গুচোৱা' আৰু 'ভূমি-লুটিয়া' এই তিনিখন ঝুমুৰা 'কৃষ্ণ-কৰ্ণামৃত' গ্ৰন্থৰ স্তোত্ৰৰ আধাৰত ৰচিত। মাথোন 'অৰ্জুন-ভঞ্জন' আৰু 'ভোজন বিহাৰ' নাট দুখনিৰ বিষয়বস্তু ভাগৱত পুৰাণৰ পৰা গ্ৰহণ কৰা। মন কৰিবলগীয়া 'অৰ্জুন-ভঞ্জন' নাটৰ নান্দী-শ্লোক আৰু নাটত থকা আন তিনিটা শ্লোক 'কৃষ্ণ-কৰ্ণামৃত' গ্ৰন্থৰ পৰা মাধৱদেৱে গ্ৰহণ কৰিছে।

(৫) শঙ্কৰদেৱৰ আৰু মাধৱদেৱৰ নাটৰ নায়ক যদিও ভগবান শ্ৰীকৃষ্ণ, তথাপি দুয়োজনা নাট্যকাৰৰ নায়ক কৃষ্ণ চৰিত্ৰৰ মাজত প্ৰভেদ পৰিলক্ষিত হয়। শঙ্কৰদেৱৰ নাটৰ নায়ক যুবক শ্ৰীকৃষ্ণ বা শ্ৰীৰাম, কিন্তু মাধৱদেৱৰ নাটৰ নায়ক শিশু শ্ৰীকৃষ্ণ। নায়কৰ অসাধাৰণ বীৰত্ব, আলৌকিক শক্তি-মহাত্ম্য আৰু পৌৰুষত্বৰ জৰিয়তে শঙ্কৰদেৱে পৰমতত্ত্ব জনসমাজত চিত্ৰিত কৰি দেখুৱাইছে। মাধৱদেৱে নায়কৰ শিশু বা বাল্য-লীলা চিত্ৰনৰ দ্বাৰা কৃষ্ণক অসমীয়া পৰিয়ালৰ যি কোনো এটা অতি দুষ্ট, অঘাইতং মিছলীয়া ল'ৰাৰ লেখীয়া কৰি তুলিছে। চিৰকুমাৰ মাধৱদেৱে চিৰ শিশু ৰূপৰ মাজেদিয়েই কৃষ্ণৰ ঐশ্বৰিক লীলা বেকত কৰি দেখুৱাইছে।

(৬) শঙ্কৰদেৱৰ নাট সম্পূৰ্ণ-কাহিনীযুক্ত আৰু কলেৱৰত ডাঙৰ। সেইবাবে পূৰ্ণাঙ্গ নাটৰ দৰে বিভিন্ন চৰিত্ৰৰ সমাবেশ শঙ্কৰদেৱৰ নাটত ঘটিছে। কিন্তু মাধৱদেৱৰ নাট খণ্ড-কাহিনীযুক্ত আৰু আকাৰত ক্ষুদ্ৰ। সেয়েহে মাধৱদেৱৰ নাটত চৰিত্ৰৰ সংখ্যা তেনেই তাকৰ। মাধৱদেৱৰ কোনোখন নাটতে শিশু কৃষ্ণ আৰু মাক যশোদা চৰিত্ৰৰ বাহিৰে আন উল্লেখযোগ্য চৰিত্ৰ বিশেষ নাই। কিন্তু শঙ্কৰদেৱৰ একোখন নাটতে কেইবাটাও উল্লেখযোগ্য চৰিত্ৰ দেখিবলৈ পোৱা যায়।

(৭) সংস্কৃত নাটৰ 'আমুখ বা প্ৰস্তাবনা'ত সূত্ৰধাৰ বা মঞ্চ পৰিচালক-জনে বিদূষক, সঙ্গী, নটী বা পৰিচাৰিকাৰ লগত কথোপকথনৰ চলেৰে কোন ভাৱৰীয়াৰ কি অৱস্থাত মঞ্চত প্ৰৱেশ কৰিব তাক দৰ্শক

জনাই দিয়ে। শঙ্কৰদেৱৰ নাটতো সূত্ৰধাৰে 'আকাশং কৰ্ণং দত্তা' তেওঁৰ সঙ্গীৰ লগত আলাপ-আলোচনা কৰি দৰ্শকক ভাৱবীয়া মঞ্চত প্ৰৱেশ কৰাৰ আগ-জাননী দিয়ে। কিন্তু মাধৱদেৱে নাট বা ঝুমুৰাত তেনে সঙ্গী চৰিত্ৰ সংযোগ কৰা নাই। এই ক্ষেত্ৰত তেওঁ শঙ্কৰদেৱৰ পৰা আঁতৰি আহিছে।

(৮) ভক্তি-ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত শঙ্কৰদেৱৰ নাটত ভক্তি-ৰসৰ লগতে করুণ, বীৰ, শৃঙ্গাৰ, হাস্য প্ৰভৃতি ৰসৰ আস্বাদ দৰ্শকে লাভ কৰিব পাৰিছে। তেওঁৰ নাট হাস্যৰস-প্ৰধান নহয়। কিন্তু মাধৱদেৱৰ ঝুমুৰা বা নাট লঘু হাস্যৰস-প্ৰধান। শিশুকৃষ্ণৰ চোৰ-চাতুৰী, ঠেহ-অভিমান, উদ্ভণ্ডালিক লৈ মাধৱদেৱৰ নাট ৰচিত। তেওঁৰ নাটৰ নায়ক ভগৱান শ্ৰীকৃষ্ণ। সৃষ্টি-স্থিতি-লয়ৰ অধিকাৰী ভগৱানৰ একোৰে অভাৱ নাই। সেই কাৰণে মাধৱদেৱৰ নাটত চিত্ৰিত ভগৱানৰ মিছা কোৱা, চুৰি কৰা, মাখন ভিক্ষা কৰি খোৱা, খাবলৈ নাপাই ঠেহ-অভিমান পতা আদি অসঙ্গতি পূৰ্ণ কাৰ্য্যই দৰ্শকক হাঁহিবলৈ বাধ্য কৰাইছে। তেওঁৰ নাটত বীৰ, করুণ, শৃঙ্গাৰ আদি ৰসৰ তিলমাত্ৰও চিটিকনি পৰা নাই, লঘু-হাস্যৰসহে অনুৰণিত হৈছে।

(৯) শঙ্কৰদেৱৰ নাটৰ গীত-পদ, কথা, সূত্ৰ আদিত ব্ৰজাৱলী বা ব্ৰজবুলি ভাষাৰ প্ৰাধান্য অত্যধিক। তেওঁৰ নাটৰ ভাষাক সাধাৰণভাৱে ব্ৰজাৱলী বুলিয়েই কোৱা হৈছে। কিন্তু মন কৰিবলগীয়া মাধৱদেৱৰ নাটত ব্ৰজাৱলীৰ প্ৰাধান্য কমি গৈছে। আনকি কিছুমান গীত-পদত প্ৰাচীন অসমীয়া ভাষাহে তেওঁ ব্যৱহাৰ কৰিছে।

(১০) জনসমাজত ভগৱানৰ লীলা-মাহাত্ম্য প্ৰচাৰ কৰাটোৱেই শঙ্কৰ-মাধৱৰ নাটৰ মুখ্য উদ্দেশ্য। সেই ৰণে তেওঁলোকৰ নাটত নাটকীয় সংঘাত সৃষ্টি আৱশ্যকীয় ক নাছিল পি মন কৰিবলগীয়া সম্পূৰ্ণ কাহিনীযুক্ত শঙ্কৰদেৱৰ 'ৰুক্মিণী-হৰণ', 'ৰাম-বিজয়' আদি নাটত আকস্মিক ভাৱে হলেও সংঘাত সৃষ্টি হৈছে। কিন্তু মাধৱদেৱৰ নাট বা ঝুমুৰাত সংঘাত চিত্ৰিত হোৱা নাই বুলিব পাৰি। মাধৱদেৱৰ নাট মুহূৰ্তৰ কাহিনীৰে ৰচিত আৰু নায়ক শিশু-কৃষ্ণ। এনে মুহূৰ্তৰ ঘটনা একোটিৰে পৰিপুষ্ট শিশুকৃষ্ণৰ চোৰ-চাতুৰী প্ৰকাশ কৰা মাধৱদেৱৰ ঝুমুৰাত সংঘাত সৃষ্টি হোৱাটো অসম্ভৱ কথা। তেনেই



কণমান শিশু এটিৰ জীৱনত সংঘাতৰ আচোঁৰ নপৰাটো স্বাভাৱিক।

(১১) শঙ্কৰদেৱৰ নাটত থকা শ্লোক সমূহ স্বৰচিত। কিন্তু মাধৱদেৱৰ নাটৰ শ্লোক স্বৰচিত নহয়। তেওঁৰ নাটৰ প্ৰায় শ্লোকেই বিল্বমঙ্গল বা লীলাশুকৰ 'শ্ৰীকৃষ্ণ-কৰ্ণামৃত'ৰ পৰা গ্ৰহণ কৰা।

(১২) শঙ্কৰদেৱৰ নাটৰ শ্ৰীকৃষ্ণই মানৱৰূপে মৰ্ত্যত অৱতীৰ্ণ হৈ অতি-মানবীয় বা অলৌকিক কাৰ্য্য আৰু শক্তিৰ দ্বাৰা জনসমাজক বিস্মিত কৰি তুলিছে। কিন্তু মাধৱদেৱৰ ঝুমুৰাৰ ('অৰ্জুন-ভঞ্জন'ৰ বাহিৰে) শিশু-কৃষ্ণ চৰিত্ৰত তেনে অলৌকিক কাৰ্য্য আৰু শক্তি প্ৰকাশ পোৱা নাই।

ভগৱানৰ লীলা-মাহাত্ম্য জনসমাজত প্ৰচাৰ কৰাটোৱেই শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাটৰ প্ৰধান উদ্দেশ্য আছিল যদিও, দুয়োজনা নাট্যকাৰৰ ৰচনা-ৰীতিৰ মাজত যে পাৰ্থক্য আছিল তাক ওপৰৰ আলোচনাৰ পৰাই বুজিব পাৰি। এয়া সম্ভৱ হৈছিল মাধৱদেৱৰ অপৰিসীম সৃজনী প্ৰতিভাৰ বলত। শঙ্কৰদেৱৰ নাট্য-ৰীতিৰ পৰা আঁতৰি আহি বৈশিষ্ট্যপূৰ্ণ নাট ৰচনা কৰা বাবে মাধৱদেৱে অসমীয়া নাট্য-সাহিত্যত গৌৰৱৰ আসন সুশোভিত কৰিব পাৰিছে।

## ঝুমুৰা

ঝুমুৰা মাধৱদেৱৰ প্ৰতিভাৰ এক বিশিষ্ট অৱদান। অসমীয়া নাট্য-সাহিত্যত ঝুমুৰাই বিশেষ স্থান অধিকাৰ কৰিব পাৰিছে। মহাপুৰুষ শঙ্কৰদেৱৰ নাট্য-ৰীতিৰ পৰা সু-প্ৰতিভাশালী কবি-নাট্যকাৰ মাধৱদেৱ আঁতৰি অহাৰ ফলতে অসমীয়া নাট্য-সাহিত্যত স্বকীয়া বৈশিষ্ট্য-যুক্ত ঝুমুৰাৰ সৃষ্টি হ'ল। জনগণক সুপথে আগুৱাই নি সত্য-শিৱ-সুন্দৰৰ চৰণ অন্তৰৰ পবিত্ৰতাৰে আকোঁৱালি লোৱাৰ উপযোগীকৈ শঙ্কৰদেৱৰ দ্বাৰা অনুপ্ৰাণিত হৈ মাধৱদেৱে নাট ৰচনা কৰিলে যদিও, মাধৱদেৱ-বিৰচিত 'অৰ্জুন-ভঞ্জন'ৰ বাহিৰে আনবোৰ নাট শঙ্কৰদেৱৰ নাটৰ

লগত্ত অনেক বিষয়ত অমিল। নাট ৰচনা কৰিবলৈ মাধৱ-দেৱে নতুন নাট্য-ৰীতি উদ্ভাৱনা কৰিলে আৰু এই নতুন নাট্য-ৰীতিৰে ৰচনা কৰা নাট বা অঙ্কক এটা বিশেষ নামেৰে নামকৰণ কৰা হ'ল আৰু সেয়া হ'ল 'ঝুমুৰা'। শঙ্কৰদেৱৰ অনুকৰণত মাধৱদেৱে ৰচনা কৰা প্ৰথম নাট 'অৰ্জুন-ভঞ্জন'ক 'নাট' বা 'যাত্ৰা' বোলা হৈছে। মাধৱ-দেৱৰ স্বকীয় প্ৰতিভাৰে ৰচিত নাটবোৰক ঝুমুৰা নামকৰণ কৰা হৈছে। মাধৱদেৱৰ 'চোৰধৰা', 'পিম্পৰা-গুচোৱা', 'ভূমি-লুটিয়া' আৰু 'ভোজন-বিহাৰ' এই কেইখন নাট ঝুমুৰা নামে জনাজাত। আনকি, তেওঁৰ ভণিতা থকা সন্দেহযুক্ত নাট 'কোটোৰা-খেলা', 'ৰাস-ঝুমুৰা' 'ভূষণ-হৰণ' 'ব্ৰহ্মামোহন'কো ঝুমুৰা বুলিহে অভিহিত কৰা হৈছে। শঙ্কৰদেৱ বিৰচিত কোনো নাটককে ঝুমুৰা বোলা হোৱা নাই; নাট, নাটক, যাত্ৰা, অঙ্ক আদি বুলিহে কোৱা হৈছে। কিন্তু মাধৱদেৱৰ ক্ষুদ্ৰ ঘটনাযুক্ত নাটকেইখনক ঝুমুৰা বুলি অভিহিত কৰা হৈছে। সেইবাবে ঝুমুৰা বুলি কোৱা মাধৱদেৱৰ নাটৰ লক্ষণ নিশ্চয় শঙ্কৰদেৱৰ নাট বা মাধৱ-দেৱৰ 'অৰ্জুন-ভঞ্জন'তকৈ বেলেগ হ'ব লাগিব। মাধৱদেৱ বিৰচিত ঝুমুৰা কেইখনত তলত উল্লেখ কৰা লক্ষণসমূহ মন কৰিব পাৰি—

[ক] ঝুমুৰাত সম্পূৰ্ণাঙ্গ কাহিনীৰ আভাস নাই, মুহূৰ্তৰ ঘটনা বা সামান্য পৰিস্থিতি এটাক তেনেই সংক্ষেপতে নাটকীয় ৰূপ দিয়া হয়।

[২] আকৃতি বা গঠনত ঝুমুৰা তেনেই ক্ষুদ্ৰ। কম সময়ৰ ভিতৰতে ভগৱান শ্ৰীকৃষ্ণৰ লীলা-মাহাত্ম্য জনসমাজত প্ৰচাৰ কৰাটোৱেই ঝুমুৰাৰ মুখ্য উদ্দেশ্য।

[৩] নৃত্য-গীতৰ প্ৰাধান্য ঝুমুৰাত বিশেষ মন কৰিবলগীয়া। কাহিনী-ভাগ গীত-নাচৰ জৰিয়তে মঞ্চত প্ৰদৰ্শন কৰা হয়।



[৪] ঝুমুৰাত ব্যৱহৃত গীত-পদবোৰ আঠ-আক্ষৰিক ঝুমুৰা ছন্দৰ সাদৃশ্য ৰচিত।

[৫] নাৰী চৰিত্ৰৰ সংখ্যা অধিক। শিশু কৃষ্ণ মাধৱ-দেৱৰ ঝুমুৰাৰ প্ৰধান চৰিত্ৰ বা নায়ক যদিও নাৰী-চৰিত্ৰৰ পয়োভৰহে বেচি।

[৬] ঝুমুৰা লঘু হাস্যৰস-প্ৰধান। শিশু কৃষ্ণ-চৰিত্ৰৰ জৰিয়তে হাস্যৰস চিত্ৰিত কৰি ভক্তিভাব প্ৰকাশ কৰা হয়।

উক্ত লক্ষণযুক্ত মাধৱদেৱ-বিৰচিত নাট বা অঙ্কক ঝুমুৰা বোলা হৈছে। মাধৱদেৱৰ নাটকৰ ঝুমুৰা নাম-কৰণ সম্পৰ্কত পণ্ডিতসকলে কেইটামান অনুষ্ঠানৰ কথা উল্লেখ কৰে। উত্তৰ-ভাৰতৰ ফাগুৱাত নাচৰ লগত গোৱা এবিধ গীতক 'ঝুমুৰ' বোলা হয়। চাওঁতালী তিৰোতাই শাৰী পাতি বা মণ্ডলাকাৰে উলহ-মালহেৰে কৰা নৃত্য-গীতো 'ঝুমুৰ' নামে জনাজাত। 'সঙ্গীত-দামোদৰ' গ্ৰন্থত ঝুমুৰি' নামৰ শৃঙ্গাৰ-ৰসৰ এক প্ৰকাৰ ৰাগিনীৰ কথা পোৱা যায়। মৈথিলী কবি বিদ্যাপতিৰ গীতত 'ঝুমুৰি' শব্দৰ উল্লেখ আছে। পুৰণি অসমীয়া সাহিত্যত ব্যৱহাৰ কৰা আঠ-অক্ষৰীয়া এবিধ ছন্দকো 'ঝুমুৰী' বোলা হয়। কোনো কোনোৱে 'ঝুমুৰি'ক এক প্ৰকাৰ ৰাগ বা তাল বুলিও কয়।

সি যি হওঁক, এক কথাত ক'ব পাৰি যে, ক্ষুদ্ৰ ঘটনাযুক্ত নাৰী-চৰিত্ৰৰ প্ৰাধান্য থকা নৃত্য-গীত প্ৰধান বৈষ্ণৱ যুগৰ নাট বা অঙ্কক ঝুমুৰা বুলি অভিহিত কৰা হৈছে।

## মাধৱদেৱৰ ঝুমুৰা ঃ একাঙ্কিকা বা একাঙ্ক- নাট

এটা অঙ্কযুক্ত নাটকক একাঙ্কিকা বোলা হয়। প্ৰাচীন ভাৰতীয় নাট্য সাহিত্যৰ ইতিহাসত একাঙ্ক লক্ষণযুক্ত নাট্যৰ আভাস দেখিবলৈ পোৱা যায়। সংস্কৃত দহৰূপকৰ ভিতৰত উৎসৃষ্টিকাঙ্ক (অঙ্ক,)

ব্যায়োগ, ভাণ আৰু বীথী এই চাৰিবিধ ৰূপক আৰু আন কেইবা বিধো উপ-ৰূপক একাঙ্কযুক্ত আছিল। একাঙ্কযুক্ত সংস্কৃত ৰূপক বা উপ-ৰূপক কাব্যধৰ্মী, ৰস-প্ৰধান অবান্তৰ নাট। ইবোৰ প্ৰাচীন যুগত সৃষ্টি হোৱা একাঙ্ক নাট। আধুনিক একাঙ্কিকাৰ ওপৰত ইয়াৰ ভাব কণমানো নাই।

আমাৰ কিছুমান আলোচকে একাঙ্কিকা বুলিলে ভাৰতীয় মঞ্চ-জগতত পাশ্চাত্য আহিত গঢ় লোৱা নাটৰ কথাহে উল্লেখ কৰে। অৱশ্যে আধুনিক একাঙ্কিকাই ৰূপ পৰিগ্ৰহ কৰাৰ ক্ষেত্ৰত ইউৰোপীয় নাটৰ প্ৰভাৱ স্বীকাৰ কৰিবই লাগিব। পৰিবৰ্ত্তনশীল জগতৰ সমাজ বা জীৱন-বোধৰ গতি সলনি হোৱাৰ লগে লগে সাহিত্যৰো গতি সলনি হয়। বৃটিছ শাসনৰ ফলত ভাৰতীয় জীৱন-বোধ বা চিন্তাধাৰা স্থিতাৱস্থাত থাকিব নোৱাৰি পৰিবৰ্ত্তনক আকোঁৱালি লবলৈ বাধ্য হ'ল আৰু তাৰ ফলতে, আধুনিক সভ্যতা-সাহিত্যই নৱৰূপ পৰিগ্ৰহ কৰিলে। পাশ্চাত্য নাট্য-সাহিত্যৰ প্ৰভাৱত ভাৰতৰ আন আন প্ৰাদেশিক ভাষাৰ নাট্য সাহিত্যৰ দৰে অসমীয়া নাট্য-সাহিত্যৰ গতি সলনি হ'ল, যাৰ ফলত আধুনিক নাট তথা একাঙ্কিকাই নতুন বোলেৰে ৰূপায়িত হ'ল।

মন কৰিবলগীয়া যে অসমীয়া একাঙ্কিকা আধুনিক যুগৰ উদ্ভাৱনা নহয়। অৱশ্যে স্বীকাৰ্য্য যে প্ৰগতিবাদী নাট্যকাৰে যুগৰ পৰিবৰ্ত্তন মানি লয় বাবে পাশ্চাত্য আহিত কৰ্মব্যস্ত জীৱনৰ লগত খাপখোৱাকৈ নতুন দৃষ্টি-ভঙ্গীৰে নাট ৰচনা কৰাটো স্বাভাৱিক। আধুনিক অসমীয়া নাট সৃষ্টিৰ ক্ষেত্ৰত ইয়াৰ অন্যথা হ'ব নোৱাৰে।

অসমীয়া একাঙ্ক-নাট সৃষ্টি হয় বৈষ্ণৱ-যুগত, সুদূৰ পঞ্চাদশ-ষোড়শ শতাব্দীত। মহাপুৰুষ শঙ্কৰদেৱৰ অঙ্কীয়া নাট বা ভাওনা অসমীয়া নাট্য সাহিত্যলৈ এক অপূৰ্ব্ব অভিনৱ অৱদান আৰু ইবোৰ আছিল একাঙ্কযুক্ত। অৱশ্যে শঙ্কৰদেৱৰ নাট একাঙ্কযুক্ত যদিও সম্পূৰ্ণ-কাহিনীযুক্ত দীৰ্ঘাৱয়ৱৰ হোৱা বাবে নাটত পঞ্চ সন্ধি-অৱস্থা নিৰূপণ কৰিব পৰা গৈছে আৰু সেই বাবে তেওঁৰ নাটত একাঙ্কিকাৰ লক্ষণ পৰিলক্ষিত হোৱা নাই।

একাঙ্কিকা আকৃতি বা গঠনত ক্ষুদ্ৰ আৰু ইয়াত চৰিত্ৰৰ সংখ্যা কম। কোনো এটা চৰিত্ৰৰ ওপৰত প্ৰাধান্য দি মুহূৰ্ত্ত বা এবেলা



তথা এদিনৰ খণ্ড-ঘটনা এঘন্টা মান সময়ৰ ভিতৰত একাঙ্কিকা মঞ্চস্থ কৰি দেখুৱাব পাৰিব লাগে। শঙ্কৰদেৱৰ সম্পূৰ্ণাঙ্গ কাহিনীযুক্ত দীৰ্ঘ আকৃতিৰ নাটত তেনে লক্ষণ নাই; কিন্তু মাধৱদেৱৰ অঙ্ক বা ঝুমুৰাত ইবোৰ লক্ষণ বিদ্যমান। মন কৰিলে দেখা যায় মাধৱদেৱৰ 'ঝুমুৰা' বুলি অভিহিত কৰা নাট কেইখন তেনেই ক্ষুদ্ৰ আয়তনৰ আৰু চৰিত্ৰৰ সংখ্যাও কম। শ্ৰীকৃষ্ণৰ চৰিত্ৰক প্ৰাধান্য দি এবেলা বা এদিনৰ খণ্ড-ঘটনাক এক-ডেৰ ঘন্টাৰ ভিতৰত মঞ্চস্থ কৰিব পৰাকৈ ঝুমুৰা-বোৰ ৰচিত। এনে লক্ষণযুক্ত নাট বা ঝুমুৰা ৰচক মাধৱদেৱক অসমীয়া একাঙ্কিকাৰ উদ্ভাৱক বা জনক বুলি কোৱাটো সমীচীন হ'ব নিশ্চয়।

অসমীয়া একাঙ্ক-নাটৰ উদ্ভাৱক যে মাধৱদেৱ এই কথা স্বীকাৰ কৰিলেও আধুনিক একাঙ্কিকা মাধৱদেৱৰ নাটৰ প্ৰভাৱত গঢ় লোৱা বুলি কেতিয়াও ন-দি কব-নোৱাৰি। আৰু গঢ় লোৱাটো সম্ভৱপৰো হ'ব নোৱাৰে। কিয়নো, সুদীৰ্ঘ কাল বৃটিছ শাসনৰ অধীনত থকাৰ ফলত ভাৰতীয় ধৰ্ম-সমাজ-সাহিত্য-সংস্কৃতিৰ এনে পৰিবৰ্ত্তন ঘটিল যে পাশ্চাত্য ৰীতি-নীতি, সাহিত্য-সংস্কৃতিৰ আহি ভাৰতীয়ই গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। সাহিত্যৰ ইতিহাস অধ্যয়ন কৰিলে দেখা পশ্চিমীয়া সাহিত্য প্ৰভাৱতহে আমাৰ নাট, উপন্যাস, গল্প প্ৰভৃতিয়ে নতুন বা আধুনিক ৰূপ গ্ৰহণ কৰিলে। গতিকে আধুনিক বা সাম্প্ৰতিক কালৰ একাঙ্কিকাৰ ওপৰত মাধৱদেৱৰ ঝুমুৰা বা নাটৰ প্ৰভাৱ নপৰাটো স্বাভাৱিক।

আধুনিক একাঙ্কিকাৰ ওপৰত মাধৱদেৱৰ নাটৰ প্ৰভাৱ নপৰিলেও এটা কথা স্বীকাৰ কৰিব লাগিব যে আধুনিক চিন্তাধাৰাৰ আভাস তেওঁৰ নাট ৰচনাৰ ক্ষেত্ৰত পৰিলক্ষিত হয়। আজিৰ একাঙ্কিকা ৰচকে অন্ন-বস্ত্ৰৰ সমস্যাত জৰ্জৰিত কৰ্মব্যস্ত মানুহৰ কাৰণে কম সময়ৰ ভিতৰত অভিনয় কৰি দেখুৱাব পৰা চুটি নাট ৰচনা কৰাৰ চিন্তা মাধৱপুৰুষে কাহানিবাই কৰি তেনে নাট প্ৰণয়ন কৰিছিল। সৰ্ব্ব-সাধাৰণৰ জীৱন কৰ্মমুখৰ, দৈনন্দিন জীৱনৰ ব্যস্ততাৰে জুৰুলা, তাতে আকৌ কাম-ক্ৰোধ-লোভ-মোহ-পাশেৰে পিঞ্জৰাবদ্ধ। অদম্য কামনা বাসনাক্লিষ্ট, পেট-ভাতৰ চিন্তাত আকুলিত নৰে ভগৱান বা পৰম-পুৰুষৰ চিন্তাত মনোনিবেশ কৰিবলৈ সময়েই বা পায় ক'ত? সেয়েহে

মাধৱদেৱে কম সময়ৰ ভিতৰতে মানৱৰ চিত্ত বিনোদন কৰিব পৰাকৈ স্বল্পায়তনৰ নাট ৰচনা কৰা কথাৰ আৱশ্যকতা উপলব্ধি কৰি শিশু-কৃষ্ণৰ অভিব্যক্তি আৰু কোনো এটা মুহূৰ্ত্তৰ লঘু উল্লাহপূৰ্ণ ঘটনাৰ চিত্ৰনেৰে সৃষ্টি কৰিলে ঝুমুৰাৰ।

গতিকে আধুনিক যুগৰ চুটি ৰচনাৰ আৱশ্যকতাৰ কথা মাধৱদেৱে চাৰিশ বছৰ পূৰ্ব্বে চিন্তা কৰি আজিৰ সমস্যাবহুল সমাজৰ উপযোগী একাঙ্কিকা বা চুটিগল্পৰ দৰে চুটি ঝুমুৰা বা নাট প্ৰণয়ন কৰি থৈ গৈছে। 'কথা-গুৰু-চৰিত'ত উল্লেখ কৰা মাধৱদেৱ ৰচিত 'ৰাম-ভাওনা' নামৰ নাট দীঘলীয়া হোৱা বাবে ইয়াক কৰ্মময় জীৱনৰ অনুপযোগী হোৱা বুলি বিবেচনা কৰি পুৰি পেলোৱা কথাৰ পৰাই সেই সময়ত হ্ৰস্ব বা চুটি ৰচনাৰ প্ৰয়োজন কেনে আছিল তাক সহজে অনুমান কৰিব পাৰি।

## অৰ্জুন- ভঞ্জন ( দধি-মথন ) :কাহিনী ভাগ

দধি মথনত অৱহেলা কৰা দেখি খঙত নন্দ- ৰাণী যশোদাই গোপীবিলাকক খেদি দি বেচি লৱণু পোৱাৰ আশাত দিব্যবস্ত্ৰ পৰিধান কৰি, খোপাত মালতী ফুল গুজি লৈ, স্তন- যুগলত নবীন কুঙ্কুম ঘঁহি, চকুত কাজঁল সানি, কৰ্পূৰ- তামোল খাই অপৰূপা সৌন্দৰ্য্যৰ গৰাকিনী হৈ কৃষ্ণ–গুণ গাই গাই এদিন নিজে দধি মথিবলৈ ধৰিলত দেৱৰো দুৰ্লভ ভগবান শ্ৰীকৃষ্ণই মাক যশোদাক এশিকনি দিবলৈ মন কৰি ওচৰ চাপি গৈ মথনি-দণ্ডত ধৰি পিয়াহ খাবলৈ ইচ্ছা প্ৰকাশ কৰি মাকক আমনি কৰিলে। স্নেহাতুৰা যশোদাই হাঁহি মুখে কৃষ্ণক কোলাত তুলি লৈ পিয়াহ খুৱাবলৈ ধৰিলে। তেনে ক্ষণতে আখাৰ ওপৰত তুলি থোৱা চৰুৰ গাখীৰ উতলি পৰিবলৈ ধৰিছে বুলি গোপীবিলাকে যশোদাক খবৰ দিলে। শ্ৰীকৃষ্ণক আধা পিয়াহ খোৱা অৱস্থাত কোলাৰ পৰা সজোৰে মাটিত ঠেকেচকৈ পেলাই থৈ যশোদাই গাখীৰ ৰইখা কৰিবলৈ দৌৰি গ'ল।

সামান্য গাখীৰকণৰ লোভত এনে কঠোৰতা দেখুৱাত শ্ৰীকৃষ্ণৰ ওঁঠ কঁপি উঠিল আৰু পটা-শুটি নিক্ষেপ কৰি দধি-ভাণ্ড ভাঙি পেলালে। গৃহৰ ভিতৰত সোমাই উৰলৰ ওপৰত উঠি যিমান পাৰে তিমান লৱণু খাই বান্দৰবিলাককো খাবলৈ দিলে। গাখীৰৰ চৰু নমাই থৈ আহি যশোদাই লৱণু–বিপৰ্য্যয় দেখি হাতত চেকনি লৈ উদণ্ড পুতেকৰ পিনে চোচা ললে। মাকৰ অগ্নিমূৰ্ত্তি দেখি উৰলৰ পৰা নামি



কৃষ্ণই দৌৰ ধৰিলে। শেষত ভক্তা মাকৰ দুৰৱস্থা দেখি ভগবান শ্ৰীকৃষ্ণই নিজে ধৰা দিলে। শ্ৰীকৃষ্ণক হাতত ধৰি নিজ ঘৰলৈ নি যশোদাই গৰু বন্ধা পঘাৰে বান্ধিবলৈ যত্ন কৰিলে। যিজনাৰ আদি-মধ্য-অন্ত নাই, যিজনা ত্ৰিজগতৰ অধিকাৰী, সেইজনাক সামান্য যশোদাই জানো বান্ধিব পাৰে! যিমানে জৰী আনি নাবান্ধক কিয় বাৰে বাৰে দুই আঙুলা জৰীৰ নাটনি হয়। বলৰামৰ মাক ৰোহিণী আৰু গোপীবিলাকে শ্ৰীকৃষ্ণৰ মাহাত্ম্য বুজাই যশোদাক বন্ধন কাৰ্য্য পৰিহাৰ কৰিবলৈ কাতৰভাৱে অনৰোধ কৰিলে যদিও সকলো অথলে গ'ল। কিন্তু আচৰিত কথা! কঠোৰ শ্ৰম কৰিও যশোদাই কৃষ্ণক বান্ধিবলৈ পাৰগ নহ'ল। যশোদাৰ এনে শ্ৰম দেখি দয়া পৰবশ হৈ শেষত শ্ৰীকৃষ্ণই আপুনি বন্ধন লৈ ভক্তা জননীৰ মন পূৰণ কৰিলে। যশোদাই উৰলত শ্ৰীকৃষ্ণক বান্ধি থৈ বান্ধ মোকোলাই দিবলৈ গোপীবিলাকক মানা কৰি গৃহকৰ্মত ব্যস্ত হ'ল।

নন্দৰ গৃহৰ পদুলিত যজা অৰ্জুন গছ দুজোপা আছিল। হাত বান্ধি থোৱা উৰলটো শ্ৰীকৃষ্ণই চোঁচৰাই টানি আনি গছ দুজোপাৰ মাজেদি পাৰ হৈ যাওতে ভীষণ শব্দ কৰি যমলাৰ্জুন উভালি পৰিল আৰু তাৰ পৰা নলকুবেৰ আৰু মণিগ্ৰীৱ নামৰ অভিশপ্ত দুজন দেৱতা আবিৰ্ভাৱ হৈ আঠুকাঢ়ি হাতযোৰ কৈ মুক্তিদাতা শিশু শ্ৰীকৃষ্ণক স্তুতি নিবেদন কৰি নিজ ঠাইলৈ গুচি গ'ল। প্ৰচণ্ড শব্দ শুনি সকলোৱে আহি উভালি পৰা গছ দুজোপা দেখিলে। নন্দই স্নেহৰ পুতেক শ্ৰীকৃষ্ণৰ বান্ধ খুলি দি এনে নিদাৰুণ কাৰ্য্যৰ বাবে যশোদাক মাৰিবলৈ খেদি গ'ল। দন্দুৰী যশোদাই মনে মনে নাথাকি সমুচিত বাক্য-বাণেৰে গিৰিয়েক নন্দক চুণ্ডা চাই সোপা দি মুখ বন্ধ কৰি থলে।

## অৰ্জুন-ভঞ্জন নাটৰ মূল : নাট্যকাৰৰ মৌলিকতা

মাধৱদেৱ পুৰুষৰ 'অৰ্জুন-ভঞ্জন' নাটৰ মূল বিচাৰ কৰিবলৈ গলে পোনতে ভাগৱত-পুৰাণৰ 'দশম- স্কন্ধ'ৰ কথা উল্লেখ কৰিব লাগিব। ভাগৱত 'দশম- স্কন্ধ'ৰ নৱম, দশম আৰু একাদশ অধ্যায় ( ৬৪ শ্লোকলৈ ) ৰ কথাখিনিৰ ওপৰত ভেজা দি নাটখন ৰচনা কৰা হৈছে। নাট্যকাৰ মাধৱদেৱে 'গা গছত কপৌফুল গ্ৰহণীয়' নীতি মানি লৈ সৌন্দৰ্য্য বৰ্দ্ধনৰ কাৰণে চতুৰ্দ্দশ শতিকাৰ পৰম বৈষ্ণৱ কবি বিল্বমঙ্গল বা লীলাশুকৰ চৈধ্যটা তৰঙ্গযুক্ত 'কৃষ্ণ-কৰ্ণামৃত' গ্ৰন্থৰ পৰা নান্দী শ্লোক

আৰু নাটৰ মাজত থকা তিনিটা শ্লোক গ্ৰহণ কৰিছে। আনকি নাটৰ শেষৰ শ্লোকটো নাট্যকাৰে 'হৰিবংশ'ৰ পৰা উদ্ধৃত কৰিছে।

বিল্বমঙ্গলৰ 'কৃষ্ণ কৰ্ণামৃত' গ্ৰন্থৰ পৰা লোৱা আবৰ্ত্তণি বা নান্দীশ্লোক দুটাৰে .নাট্যকাৰে লৱণু-ভোক্তা নন্দপুত্ৰ, গোপীবিলাকৰ আনন্দদাতা, নাট্যকাৰৰ উপাস্য দেৱতা শ্ৰীকৃষ্ণক বন্দনা জনাইছে। ইয়াৰ পিছতে ভাগৱত 'দশম-স্কন্ধ'ৰ পৰা মূল গ্ৰহণ কৰা নাটৰ কাহিনী-ভাগ আৰম্ভ হৈছে। 'দশম-স্কন্ধ'ৰ নৱমৰ পৰা একাদশ অধ্যায়ৰ ৬ষ্ঠ-শ্লোকলৈকে থকা কথাখিনি 'অৰ্জুন-ভঞ্জন'ত চিত্ৰিত কৰা হৈছে।

মাধৱদেৱ প্ৰতিভাশালী নাট্যকাৰ। তেওঁ মূল ভাগৱতৰ কাহিনীক আৱশ্যক অনুযায়ী এৰা-ধৰা কৰি নাটখন অধিক মনোগ্ৰাহী কৰিবলৈ প্ৰয়াস কৰিছে। 'দশম-স্কন্ধ'ৰ নৱম অধ্যায়ৰ প্ৰথম শ্লোকত থকাৰ দৰে—

একদা গৃহদাসীষু যশোদা নন্দগেহিনী।
কৰ্মান্তৰনিযুক্তাসু নিৰ্মমন্থ স্বয়ং দধি॥

(এদিনাখন যশোদাই দাসী গোপীবিলাকক. আন আন গৃহকাৰ্য্যত নিয়োগ কৰি নিজে দধি মথিবলৈ ধৰিলে।) নাট্যকাৰে মূলৰ কথা-খিনি গ্ৰহণ কৰিছে যদিও যশোদাই কিয় নিজে দধি মথিবলৈ ললে সেই কথা দৰ্শকক জনাইছে। যশোদাই গোপীবিলাকক কৈছে ঃ 'তোৰাসৱক গাৱে কি বল নাহি। অৱহেলা কৰিয়ে দধি মথিয়ে সৱ লৱণু টুটাৱল। তুহসৱ আন কৃত্য কৰহ। আজু হামু আপোনে দধি মথন কৰব।" মূলত যশোদাই গোপীবিলাকক গালি পাৰি খেদি দিয়া কথা নাই, কিন্তু আমাৰ নাট্যকাৰে সাধাৰণ গাঁৱলীয়া তিৰোতাৰ-ৰূপ প্ৰকাশ কৰিবলৈ যশোদাৰ মুখত উক্তসংলাপ সংযোজন কৰিছে।

মূলত দুআওলা জৰী নাটনি হোৱা বাবে কৃষ্ণক বান্ধিবলৈ অপাৰগ হৈ যশোদাই বিস্মিত আৰু লজ্জিত হোৱাত গোপীবিলাকেও বিস্মিত হোৱাৰ কথা-উল্লেখ আছে। কিন্তু 'অৰ্জুন-ভঞ্জন' নাটত গোপীবিলাকে নিদাৰুণ হৃদয়ৰ যশোদাক মাণিক-পুতলী কৃষ্ণক বন্ধা কাৰ্য্যৰ পৰা বিৰত থাকিবলৈ কাতৰ অনুৰোধ জনাইছে; যাৰ ফলত গোপীবিলাকৰ চিত্ৰ সজীৱ হৈ পৰিছে। তাৰ উপৰি, মূল ভাগৱতৰ এই কেইটা অধ্যায়ত উল্লেখ নথকা বলৰামৰ মাক ৰোহিণীৰ চৰিত্ৰটি নাট্যকাৰে মৰমী হৃদয়ৰ মাতৃ ৰূপত চিত্ৰিত কৰি নাটৰ কাহিনী আকৰ্ষণীয় কৰি তুলিছে।



আৱশ্যক বোধে নাট্যকাৰে মূলৰ কোনো কথা হ্ৰস্ব কৰিবলৈ নাইবা বাদ দিবলৈ চেষ্টা কৰিছে। 'দশম স্কন্ধ'ৰ দশম অধ্যায়ত উল্লেখ থকা নলকুবেৰ আৰু মণিগ্ৰীৱে ৰমণীৰ লগত জল-বিহাৰ কৰা, উন্মত্ত অৱস্থাত উলঙ্গ হৈ থাকি কুবেৰদ্বয়ে নাৰদক সন্মান প্ৰদৰ্শন নকৰা, খং-অপমানত নাৰদে দুয়োকো অভিশাপ দিয়া আদি কথা নাট্যকাৰে অঙ্কন কৰা নাই। মাথোন বন্ধনৰত অৱস্থাত যমলাৰ্জুন বৃক্ষ দেখি শ্ৰীকৃষ্ণই সেই কথা স্মৰণ কৰাটোহে দেখুৱাইছে।

আধাৰ গ্ৰন্থৰ কাহিনী হ্ৰস্ব-দীৰ্ঘ বা এৰা-ধৰা কৰা নীতি গ্ৰহণ কৰাৰ উপৰিও নাট্যকাৰে স্ব-কল্পিত কথা নাটত সংযোগ কৰি নাট জনসাধাৰণৰ উপভোগ্য কৰি তুলিছে। 'দশম স্কন্ধ'ৰ একাদশ অধ্যায়ৰ ৬ষ্ঠ শ্লোক—

উলূখলং বিকৰ্ষন্তং দাম্না বদ্ধং স্বমাত্মজম্।
বিলোক্য নন্দঃ প্ৰহসদ্বদনো বিমুমোচ হ॥

(অৰ্থাৎ ৰচীৰে বন্ধাৱস্থাত উৰালটো টানি টানি শ্ৰীকৃষ্ণই বিচৰণ কৰি ফুৰা দেখি নন্দই হাঁহিলে আৰু পুতেকৰ বান্ধ খুলি দিলে।) উক্ত কথাখিনিলৈ নাট্যকাৰে ভাগৱতৰ কাহিনীৰ লগত নাটৰ সম্পৰ্ক ৰক্ষা কৰিছে। ইয়াৰ পিছতে নাট্যকাৰে ভাগৱতৰ কাহিনীৰ লগত সম্পৰ্ক ছেদ কৰি লৌকিকতাৰ আশ্ৰয় লৈ অসমীয়া গাৱঁলীয়া সমাজৰ চিত্ৰ এখন দাঙি ধৰিছে নন্দ-যশোদাৰ বাক্-বিতণ্ডাৰ জৰিয়তে। গিৰিয়েক-ঘৈণীয়েকৰ মাজত লগা বাক-যুদ্ধখনে নাটৰ সৌন্দৰ্য্য হ্ৰাস কৰিছে বুলি কব নোৱাৰি, বৰঞ্চ ইয়াৰ দ্বাৰা হাস্যৰস সৃষ্টি হোৱাত সাধাৰণ দৰ্শক আনন্দিতহে হৈছে।

## চৰিত্ৰ : শ্ৰীকৃষ্ণ আৰু যশোদা

**শ্ৰীকৃষ্ণঃ—** চিৰকুমাৰ মাধৱদেৱৰ ঝুমুৰা বা নাটত পৰমপুৰুষ শ্ৰীকৃষ্ণৰ শিশুলীলা অতি সজীৱ আৰু চিত্তাকৰ্ষক ৰূপত চিত্ৰিত হৈছে। শিশু শ্ৰীকৃষ্ণক লৈ মাধৱদেৱে যেনেকুৱা আদৰণীয় মোহনীয় চিত্ৰ ফুটাই তুলিছে, ভাৰতৰ কোনো বৈষ্ণৱ কবি-নাট্যকাৰে এই ক্ষেত্ৰত তেনে প্ৰতিভাৰ পৰিচয় দেখুৱাব পাৰিছে বুলি কোৱাত সন্দেহ আছে। নাটৰ কাহিনী, গীত-পদ, সূত্ৰধাৰৰ বোল, সংলাপ আদিৰে নাট্যকাৰে দৰ্শক বা পাঠকক অতি সহজতে শ্ৰীকৃষ্ণৰ শিশু আৰু বাল্য-বিষয়ক অনু-

তোপম বাণী পান কৰাইছে ।

মাধৱদেৱৰ আন আন নাট বা ঝুমুৰাৰ দৰে 'অৰ্জুন-ভঞ্জন' বা 'দধি-মথন'ৰো নায়ক বা প্ৰধান চৰিত্ৰ শ্ৰীকৃষ্ণ । সৃষ্টি-স্থিতি-লয়ৰ অধিকাৰী পৰমপুৰুষ শ্ৰীকৃষ্ণক নাট্যকাৰে এটি সাধাৰণ শিশুৰ ভাওত অৱতীৰ্ণ কৰাই নাটখন জনসাধাৰণৰ উপভোগ্য কৰি তুলিছে । মন কৰিবলগীয়া যে শ্ৰীকৃষ্ণৰ মানবীয় ৰূপটোৰ বৰ্ণনাৰ লগে লগে ঐশ্বৰিক দিশটো অঙ্কন কৰিবলৈ নাট্যকাৰে পাহৰি যোৱা নাই । সেইবাবে নাটখনিৰ শ্ৰীকৃষ্ণ-চৰিত্ৰত সাৰ্বজনীন মানৱ শিশু ৰূপ আৰু ঐশ্বৰিক ৰূপ সু-স্পষ্ট হৈ উঠিছে ।

'অৰ্জুন-ভঞ্জন'ত মানৱ শিশুৰূপী শ্ৰীকৃষ্ণৰ ঠেহ-অভিমান, দুষ্টালি, চোৰ-চাতুৰী, উভতালি অতি সন্দৰ ভাবে প্ৰকাশ পাইছে । ঘৰুৱা কামৰ ব্যস্ততাৰ মাজত মাকক শিশু পুত্ৰই আমনি দিয়াটো চিৰন্তন স্বভাৱ । মাক যশোদাই দধি মথি থাকোঁতে শ্ৰীকৃষ্ণই পিয়াহ খাবলৈ ব্যগ্ৰ হৈ পৰি মাকৰ কাৰ্য্যত বাধা দিয়াত মাকে কোলাত তুলি লৈ পুতেকক পিয়াহ খুৱাবলৈ বাধ্য হ'ল । কিন্তু উতলি পৰা গাখীৰ ৰইখা কৰিবলৈ মাকে থেকেচা মাৰি কোলাৰ পৰা কৃষ্ণক নমাই থৈ যোৱাত শ্ৰীকৃষ্ণৰ খঙে মূৰৰ চুলি পালে গৈ । শিশুৱে মাকৰ অনাদৰ-অৱহেলা সহ্য কৰিব নোৱাৰে । তেনে কৰিলে ক'ৰ বস্তু ক'ত দলিয়ায় বা ক'ত পেলাই ভাঙে একো ঠিক নোহোৱা হয় । শিশু কৃষ্ণয়ো খঙত ঘৰৰ ভিতৰত সোমাই শিলগুটি দলিয়াই গাখীৰৰ সাঁচি থোৱা পাত্ৰ ভাঙি পেলালে । উৰলৰ ওপৰত বহি মাখন নিজেতো খালেই, আনকি দলিয়াই বান্দৰকো খুৱালে ।

কেতিয়াবা শিশু পুত্ৰৰ দুষ্টালিত অতিষ্ঠ হৈ মাকে শিশুক খেদি ফুৰে, ধৰি লৈ চেকনিৰে কোবায়, হাতে-ভৰিয়ে বান্ধি থয় । মাকৰ শাস্তিৰ ভয়ত দৌৰি পলোৱাটো দুষ্ট শিশুৰ স্বভাৱ । বান্ধি থলেও বান্ধ খুলিবলৈ নানা যত্ন কৰি ফুৰে । লৱণু নষ্ট কৰা বাবে মাকে কৃষ্ণক শিশুপাল খেদা দিয়াত শ্ৰীকৃষ্ণই দৌৰিছে । অৱশেষত কৃষ্ণক ধৰি মাকে উৰলত জৰীৰে বান্ধি থলে । বান্ধ খাই দুষ্ট কৃষ্ণ জানো শান্ত হৈ বৈ থাকিল ! উৰল সহ চুচৰি যোৱাত অৰ্জুন গছত খুন্দা খালে আৰু গছ উভালি পৰিল ।

মাধৱদেৱ ভক্ত কবি-নাট্যকাৰ । ভগৱানৰ লীলা-মাহাত্ম্য নাটকৰ



মাজেদি প্ৰকাশ কৰাটোৱেই তেওঁৰ মুখ্য উদ্দেশ্য । সেয়েহে চিৰন্তন শিশুৰূপে কৃষ্ণ-চৰিত্ৰ অঙ্কন কৰাতেই ক্ষান্ত নাথাকি তেওঁ শ্ৰীকৃষ্ণৰ ঐশ্বৰিক ৰূপটিও প্ৰকট কৰি দেখুৱাইছে । শ্ৰীকৃষ্ণৰ অসাধাৰণত্ব বা আলৌকিকতা নাটখনত মন কৰিবলগীয়া । মাক যশোদাই আপোন পুত্ৰ জ্ঞান কৰি শিশু কৃষ্ণক বান্ধিবলৈ নানা ঠাইৰ পৰা জৰী সংগ্ৰহ কৰিছে যদিও বাৰে বাৰে দুআঙুলি জৰীৰ নাটনি হৈছিল । অৱশেষত ভগৱান শ্ৰীকৃষ্ণই আপুনি বন্ধন লোৱাতহে যশোদাই বান্ধিবলৈ সমৰ্থ হৈছিল । ভাঙি পৰা বৃক্ষ যমলাৰ্জুনৰ পৰা নলকুবেৰ আৰু মণিগ্ৰীৱ নামৰ কুবেৰ দ্বয় অৱতাৰ হৈ শাপমুক্ত হোৱা আৰু কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী পৰমেশ্বৰ শ্ৰীকৃষ্ণক স্তুতি কৰা আদি কথাৰে শ্ৰীকৃষ্ণৰ ঐশ্বৰিক দিশ সমুজ্জ্বল ভাৱে অঙ্কন কৰি নাট্যকাৰে দেখুৱাইছে ।

মুঠতে, নাট্যকাৰে শিশু কৃষ্ণৰ ঠেহ, অভিমান, উভতালি, দুষ্টালি আদি মাননীয় দিশ প্ৰকাশ কৰাৰ উপৰিও, "হে লোক ! দেখু দেখু পৰম ঈশ্বৰ পুৰুষোত্তম ত্ৰিগুণ-নিয়ন্তা গুণাতীত পৰম দেৱতা জীৱক তৰণ নিমিত্তে আপনে সাক্ষাত বেকত হয়া কপট মানুষ চেষ্টা দেখায়া বিবিধ লীলা বিস্তাৰ কয়ল । ইহাক শ্ৰৱণ-কীৰ্ত্তন কৰিয়ে সৱলোক সুখে তৰব ।" বুলি দৰ্শকক ভুলতো ক'বলৈ পাহৰি যোৱা নাই ।

**যশোদা :—** নাট্যকাৰ মাধৱদেৱৰ নাট বা ঝুমুৰাৰ প্ৰধান নাৰী চৰিত্ৰ যশোদা গোকুলৰ ৰজা নন্দৰ ৰাজপত্নী । কিন্তু মন কৰিবলগীয়া ৰাজপত্নী যশোদাই ৰাজ কাৰেঙৰ ভিতৰত ৰাজৰাণীৰ ভেমত ভোগ-বিলাসিতাত জীৱন কটোৱা নাই; এগৰাকী সাধাৰণ মাতৃ বা নাৰীৰ দৰেহে জীৱন কটাইছে । মাধৱপুৰুষে শ্ৰীকৃষ্ণ-চৰিত্ৰত চিৰন্তন শিশু-ৰূপ প্ৰকাশ কৰাৰ দৰে যশোদাৰ চৰিত্ৰতো চিৰন্তন মাতৃ-ৰূপ প্ৰকাশ কৰি দেখুৱাইছে ।

'অৰ্জুন-ভঞ্জন' নাটত ৰাজপত্নী যশোদাই সাধাৰণ নাৰী বা মাতৃৰ দৰে ঘৰুৱা কাম কৰিছে, দাসীক চলাইছে, পুতেকক খুৱাই-বুৱাই মৰম-স্নেহ কৰিছে, আৰু দোষ বুজি শাস্তি বিহি শাসনো কৰিছে । আদৰ্শ গৃহিনী এগৰাকীৰ গাত যিখিনি গুণ থাকিব লাগে, সেই আটাইখিনি যশোদাৰ চৰিত্ৰত বিদ্যমান । ঘৰখনত যাৱতীয় কাম-কাজ লাভ-লোকচানৰ হিচাপ, চাকৰ-চাকৰণীয়ে কি কৰিছে কি কৰা নাই আদিৰ ওপৰত গৰাকীতকৈ গৰাকিনীয়ে বেচি চোকা দৃষ্টি ৰাখে ।

যশোদাও তেনে গৰাকিনী। দাসী গোপীবিলাকে ঠিকমতে কাম-কাজ কৰিছে নে নাই 'দধি-মথনত লৱণু কিমান পৰিমানৰ পাইছে আদিৰ পূৰা হিচাপ যশোদাই ৰাখে। আনকি দাসীবিলাকে কামত অৱহেলা কৰিলে নিজ হাতে সেই কাম কৰে। সেয়েহে এদিনাখন 'দধিক কলসে পূৰ্ব্বক সমানে লৱণু' নোপোৱাত যশোদাই গোৱালীবিলাকক "তোবাসৱক গাৱে কি বল নাহি ? অৱহেলা কৰিয়ে দধি মথিয়ে সব লৱণু টুটাৱল। তুহসৱ আন কৃত্য কৰহ ! আজু হামু আপনে দধি মথন কৰব।" বুলি গালি পাৰি খেদি পঠাই নিজে দধি মথন কৰিবলৈ উঠিপৰি লাগিল।

নন্দ-যশোদাৰ একমাত্ৰ পালিত পুত্ৰ শ্ৰীকৃষ্ণ। মাতৃ যশোদাৰ এই পুত্ৰটিলৈ মৰম-স্নেহ অপাৰ। শ্ৰীকৃষ্ণ যশোদাৰ মনত "কোটি পুৰুষৰ পৰম দেৱতা, মাথাৰ মুকুট, শিৰৰ ভূষণ, গলাৰ সাতসৰী, কৰ্ণৰ কুণ্ডল, কৰৰ কঙ্কণ।" সেয়েহে দধি মথি থকা অৱস্থাত আহি আমনি কৰাত "যশোদা হাসিয়ে কৃষ্ণক কোলে তুলিয়ে বদনে চুম্বন দিয়ে আনন্দে তন পান কৰাৱত।"

'কৃষ্ণ যশোদাৰ প্ৰাণ দেহ-লাও' হলেও যশোদাই শিশু কৃষ্ণৰ দুষ্টালি, উত্তওালি, ধিতিঙালি কেতিয়াও সহ্য নকৰে। উদণ্ড, টেঙৰ শিশুক সাধাৰণ মাতৃয়ে শাসন কৰাৰ দৰে যশোদায়ো শ্ৰীকৃষ্ণক কঠোৰ ভাৱে শাসন কৰে। শিলগুটি দলিয়াই সাঁচি থোৱা গাখীৰৰ পাত্ৰ ভাঙি পেলোৱা অপৰাধত যশোদাই কৃষ্ণক ধমকি দিছে, হাতত এচাৰি লৈ পিছে পিছে খেদিছে আৰু জৰীৰে হাতে-ভৰিয়ে বান্ধিছে। পুতেকক কঠোৰ শাস্তি বিহাত ওচৰ-চুবুৰীয়াই হকা-বধা কৰিলে শাসিকা মাতৃৰ খং আৰু জেদৰ কোৱ চৰিহে যায়। কৃষ্ণক গৰু বন্ধা পঘাৰে বান্ধিবলৈ ধৰাত ৰোহিণী আৰু দাসী গোপীবিলাকে তেনে শাস্তি বিহিবলৈ বাধা প্ৰদান কৰা কথালৈ যশোদাই কাণসাৰ নকৰি নিজৰ জেদ পূৰণকৰিহে এৰিছিল।

দিনে নিশাই ঘৰুৱা কামত ব্যতিব্যস্ত হৈ থাকি অতিষ্ঠ হোৱা মাকেহে শিশুৰ দুষ্টালি, টেঙৰালি, উত্তওালিৰ কথা ভালদৰে বুজি পায়। অলপ সময়ৰ বাবে ঘৰলৈ থাবলৈ বা শুবলৈ অহা দেউতাকে একো বুজি নাপায়। পিতৃৰ মনত সন্তান সদায় ভাল। মাকে সন্তানক গালি পাৰিলে বা শাস্তি বিহিলে দেউতাকে মাকক দোষী সাব্যস্ত কৰি ধমকি দিয়ে। যাৰ ফলত গিৰিয়েক ঘৈণীয়েকৰ মাজতে বাক-যুদ্ধ বা থকা-খুন্দা লাগি



পৰে। শ্ৰীকৃষ্ণক অৰ্জুন-গছত বান্ধি থোৱা অৱস্থাত দেখি দেউতাক নন্দই মাক যশোদাক গালি পাৰি মাৰিবলৈ খেদি গৈছিল। কিন্তু যশোদা এনা-পেচা বিধৰ গিৰিহঁতনী নাছিল. মুখখন লাওপাত কচুপাত। উগ্ৰমূৰ্তি ধাৰণ কৰি কলহ-প্ৰিয়া যশোদাই : "তুহু গৃহেৰ কোন অধিকাৰ ধিক ? ইহাৰ ভাল-মন্দ তুহু কি জানহ ? হামু গৃহেৰ গৃহিনী সব অধিকাৰ হামাৰ। আহে বুঢ়িয়া। তোহাক কে পুছত ? হিঃ হামাক মাৰিতে আৱল ? হামাক চাটু বুলিতে জনম যায়। আজু ৰাগ চৰল, ছিঃ ঘিনাসে লাগে।" বুলি কঠোৰ ভাষাৰে জোকৰ মুখত চণ দি গিৰিয়েক নন্দৰ মুখ বন্ধ কৰি থৈছিল।

## নাটৰ ৰস

সংস্কৃত আলঙ্কাৰিকসকলে উল্লেখ কৰা শৃঙ্গাৰ (আদি), কৰুণ, বীৰ, বীভৎস, হাস্য, অদ্ভুত, ৰৌদ্ৰ, ভয়ানক আৰু শান্ত—উক্ত নবিধ প্ৰধান ৰসৰ ভিতৰত 'ভক্তি-ৰস'ৰ স্থান নাই। ভক্তি-ৰসৰ উল্লেখ নথকাৰ কাৰণ সুস্পষ্ট। কিয়নো, ভক্তি-আন্দোলনত আত্ম-উছৰ্গা কৰা ভক্ত কবি-নাট্যকাৰৰ ৰচনাৰ ফলতহে ভক্তিৰসৰ উদ্ভৱ হৈছে। অসমৰ বৈষ্ণৱ গুৰু শঙ্কৰদেৱ-মাধৱদেৱ প্ৰভৃতি প্ৰণীত ভক্তি-কাব্য বা অঙ্কীয়া নাটবোৰত ভগৱানৰ ঐশ্বৰিক লীলা-মাহাত্ম্য চিত্ৰিত কৰি পাঠকক ভক্তিৰসৰ আস্বাদ দিবলৈ প্ৰয়াস কৰা হৈছে। তেওঁলোকৰ-শুদ্ধ পবিত্ৰ অন্তৰৰ কথা 'ৰস-ময়ী মাগোঁহো ভকতি।' ভক্তিৰস প্ৰধান ৰস হলেও শঙ্কৰ-মাধৱৰ কাব্য বা নাটত অলঙ্কাৰ শাস্ত্ৰত উল্লেখিত নৱৰসৰ সোৱাদ যে পোৱা নাযায় তেনে কথা ক'ব নোৱাৰি। শ্ৰীকৃষ্ণৰ মানবীয় আৰু ঐশ্বৰিক দুয়োটা দিশ ভক্ত-সাহিত্যিকে প্ৰকট কৰিবলৈ যোৱা বাবে বৈষ্ণৱ সাহিত্যত ভক্তি-ৰসৰ লগতে হাস্য, শান্ত, বীৰ, শৃঙ্গাৰ, কৰুণ আদি ৰসৰ সমাবেশ ঘটিছে।

আমাৰ আলোচ্য মাধৱদেৱৰ 'অৰ্জুন-ভঞ্জন'ত শিশুৰ চৰিত্ৰ আৰু মাতৃ হৃদয়ৰ সম্পৰ্কৰ এখনি সুন্দৰ ছবি নাট্যকাৰে দাঙি ধৰিছে। নাটখনত মাতৃ যশোদাৰ সাধাৰণ মাতৃ-ৰূপ অঙ্কন কৰা

হৈছে যদিও পুত্ৰ শ্ৰীকৃষ্ণৰ ঐশ্বৰিক আৰু মানবীয় দুয়োটা দিশেই সমুজ্জ্বল হৈ উঠিছে। ভগবান পুত্ৰ আৰু ভক্ত মাতৃ, এই সম্পৰ্ক চিত্ৰিত হোৱা বাবে 'অৰ্জুন– ভঞ্জন' নাটত বাৎসল্য- ভক্তিৰস পৰিস্ফুট হৈ পৰিছে।

'অৰ্জুন- ভঞ্জন' নাটৰ নায়ক শ্ৰীকৃষ্ণ সাধাৰণ মানৱ শিশু যদিও তেওঁ ত্ৰিজগতৰপতি, সৃষ্টি- স্থিতি-লয়ৰ কাৰণ নাৰায়ণ। সেই ত্ৰিজগতৰ অধিপতি শ্ৰীকৃষ্ণই মাকৰ পিয়াহ খোৱা, পিয়াহ খাবলৈ নাপাই শিল-গুটি দলিয়াই গাখীৰৰ চৰু ভাঙি পেলোৱা, চুৰি কৰি লৱণু খোৱা, মাকৰ খেদাত দৌৰি পলাই যোৱা আদি অসঙ্গতিপূৰ্ণ কাৰ্য্য দেখি দৰ্শক হাহিবলৈ বাধ্য হৈছে। তাৰ উপৰি, নন্দ- যশোদা গিৰিয়েক-ঘৈণীয়েকৰ মাজত লগা গ্ৰাম্যৰুচিৰ বাক্- যুদ্ধখনে দৰ্শকক হাস্যৰসৰ খোৰাক যোগাইছে। মূঠতে, ভক্ত-নাট্যকাৰে হাস্য-ৰসৰ জৰিয়তে ভক্তি–ভাৱ প্ৰকাশ কৰি জনসাধাৰণৰ অন্তৰ শুদ্ধ- পবিত্ৰ কৰি সকলোকে মুক্তিপথৰ সন্ধান দান কৰিছে।

—ঃ—

NOWGONG GIRL'S COLLEGE LIBRARY
ACC No
Date 12066/248
NOWGONG ASSAM

# অৰ্জুন-ভঞ্জন

## শ্ৰীকৃষ্ণায়-নমঃ।

শ্লোক ॥ বালায় নীলবপুষে তনুকিঙ্কিণীক –
ধ্বানাভিৰামজঘনায় দিগম্বৰায়।
শাৰ্দ্দুলদিব্যনখভূষণভূষিতায়
নন্দাত্মজায় নৱনীতভুজে নমস্তে ॥

## অপি-চ

যো লোকভাৰোদ্ধৰণায় চক্ৰী চক্ৰেহৱতাৰং বসুদেৱ-গেহে।
গোপীজনানন্দকৰো মুকুন্দঃ পায়াৎ স ৱো যাদৱৰাজ সিংহঃ ॥

সূত্ৰ ॥ হে সামাজিক লোক! যে চৰাচৰ[১] গুৰু নাৰায়ণ সৰ্ব্বলোক হিত কাৰণে নন্দক মন্দিৰে বেকত[২] হয়াকহু[৩] কপট[৪] গোপবেশে পৰম মঙ্গলৰূপ নানান ৰস খেলনা কয়কহ যশোৱাক মন সন্তোষিয়ে যৈচন[৫] ক্ৰীড়া কয়ল[৬] তা দেখহ শুনহ; নিৰন্তৰে[৭] হৰি বোল হৰি।

---

শ্লোকৰ অৰ্থ ঃ শ্যাম কলেৱৰ, কিঙ্কিণীধ্বনিৰে মনোহৰ, নিতম্ববিশিষ্ট, দিগম্বৰ, শাৰ্দ্দুল (বাঘ) ৰ দিব্যনখ অলঙ্কাৰেৰে ভূষিত, লৱণু-ভোক্তা বালক নন্দ-পুত্ৰ (শ্ৰীকৃষ্ণ) ক নমস্কাৰ জনাওঁ।
আৰু যিজনাই সংসাৰৰ ভাৰ উদ্ধাৰৰ কাৰণে বসুদেৱৰ ঘৰত অৱতাৰ ধাৰণ কৰিছিল, যিজনাই মনোৰথ পূৰণ কৰি গোপীসকলক আনন্দদান কৰিছিল; সেইজনা মুক্তিদাতা শ্ৰীকৃষ্ণই তোমালোকক ৰক্ষা কৰক!

---

শব্দাৰ্থ ঃ ১-বিশ্বব্ৰহ্মাণ্ড, ২-প্ৰকাশ, আবিৰ্ভাৱ, ৩-হৈ পেলাই (কহ- প্ৰাচীন অসমীয়া স্বাৰ্থিক প্ৰত্যয়, ক্ৰিয়াৰ পিছত জোৰ বুজাবলৈ ব্যৱহাৰ কৰা হয়।) ৪-যথাৰ্থ ভাৱৰ গোপন, ছদ্ম ৫-যেনেদৰে, যেনেকুৱা ৬-কৰিলে ৭-সৰ্ব্বদায়, সকলোৱে

**গীত** ॥ ৰাগ সিন্ধুৰা ॥ একতালি

**ধ্রুং** ॥ আৰে[১] বালক কানু কয়ো পয়োসাৰ[২] ।
সঙ্গে যশোৱা মাই কৰত বিহাৰ ॥

**পদ** ॥ ত্ৰিভুবন মোহন মূৰুতি সুবেশ ।
শ্যাম ধাম[৩] নীল কুঞ্চিত[৪] কেশ ॥
আৰকত[৫] অধৰ[৬] বয়নে[৭] ৰুচি হাস ।
আয়ত[৮] নয়ন পঙ্কজ[৯] পৰকাশ ॥
কৰযুগ[১০] কঙ্কণ[১১] কেয়ূৰ[১২] ৰঞ্জে[১৩] ।
পঙ্কজ-চৰণ ভকত—ভয় ভঞ্জে[১৪] ॥
মণিময় মঞ্জীৰ[১৫] ৰুনু ঝুনু বোল[১৬] ।
ৰূপে মদন[১৭] মোহে মাধৱ বোল[১৮] ॥

**সূত্ৰ** ॥ ঐচন[১৯] প্ৰবেশ কয় শ্ৰীকৃষ্ণ একপাশ হুয়া ৰহল । তদনন্তৰ[২০] এক দিবসে যশোদা নানা গৃহকাৰ্য্যে দাসীসৱক নিয়োজিয়ে[২১] যৈচে আপুনে দধি মথিতে লাগল তাহে দেখহ শুনহ ।

**যশোদা** ॥ আহে গোপীসৱ ! তোৰাসৱ[২২] কৈচন দধি মথন কৰহ ? ওহি দধিক কলসে পূৰুবক[২৩] সমানে লৱণু[২৪] কৈছে[২৫] নাহি পাৱত ? তোৰাসৱক গাৱে কি বল নাহি ? অৱহেলা কৰিয়ে দধি মথিয়ে সৱ লৱণু টুটাৱল । তুহুসৱ আন কৃত্য[২৬] কৰহ । আজু[২৭] হামু[২৮] আপুনে দধি মথন কৰব । যদি অধিক লৱণু পাঞো তবে[২৯] তোৰাসৱক যে জানো তা কৰব ।

---

১- আহে ২- প্ৰবেশ ৩- শৰীৰ ৪- কেকোঁৰা ৫- ৰক্তা, ৰক্ত> ৰকত> —আৰকত ( আদি স্বৰাগম Prothesis ) ৬- ওঠ ৭- মুখত ৮- দীঘল, বহল, ৯- পদুম ১০- হাত দুখনি ১১- খাৰু, বালা ১২- বাহুত পিন্ধা অলঙ্কাৰ ১৩- শোভিত ১৪- নাশ কৰে ১৫- নেপুৰ, নূপুৰ ১৬- ধ্বনি, শব্দ ১৭- কামদেৱ, ১৮- কয় ১৯- এইদৰে ২০- তাৰপিছত ২১- নিয়োগ কৰি ২২- তোমালোক ২৩- পূৰ্বৰ, আগৰ ২৪- ননী, মাখন ২৫- কিয় ২৬- কাম ২৭- আজি ( অদ্য> অজ্জি> আজি ২৮- মই ২৯- তেনেহলে



**সূত্ৰ** ॥ ওহি বুলি যশোদা দিব্যবস্ত্ৰ অলঙ্কাৰ পৰিধান কৰিয়ে মালতী আদি নানা সুৰভি কুসুমে কেশ-বেশ-বণিয়ে[১] নবীন কুঙ্কুমে[২] কুচযুগ[৩] মণ্ডিয়ে[৪] কজ্জলে[৫] নয়ন দুহু[৬] ৰঞ্জিয়ে[৭] কৰ্পূৰ তাম্বূল ভুঞ্জিয়ে[৮] যৈচে দধি মথিতে লাগল, তাহে দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি ।

**গীত** ॥ ৰাগ বৰাড়ি ॥ পৰিতাল যতি

**ধ্ৰুং** ॥ মথন মথে যশোমতী মাই ।
হৰিগুণ গাৱত[৯] বয়নে-মিলাই[১০] ॥

**পদ**— কঙ্কণ হাৰ কুণ্ডলে[১১] গণ্ড[১২] লোলে[১৩] ।
চৰণ-মাঝে মণি মঞ্জীৰ বোলে ॥
মনোহৰ ক্ষৌম[১৪] বসন পৰিধানে ।
কম্পই-কুচযুগ-ৰজ্জু-সন্ধানে[১৫] ॥
উচল[১৬] খোপা কুসুমে ৰঞ্জি কেশ ।
কজ্জলে নয়ন উজ্জ্বল কৰু বেশ ॥
আগহি নিজ তনয়ক পেখি[১৭] ।
ৰূপ বিনাৰত[১৮] নয়নে নিৰেখি[১৯] ॥

**সূত্ৰ** ॥ সোহি সময়ে শ্ৰীকৃষ্ণ যশোৱাক[২০] আগু[২১] কৌতুকে নানা খেলনা কয় থিক[২২] । যশোৱা আপুন বালক আগে দেখিয়ে, কৃষ্ণক নিৰ্ম্মল বদন-পঙ্কজ নিৰেখিয়ে, কৃষ্ণক সুকোমল লীলা সুন্দৰ ৰূপ মনোহৰ হাস্য লাস্য বিনোদ[২৩] বৰ্ণাৱত ।

---

১- চুলি সুন্দৰকৈ বান্ধি, খোপা বান্ধি ২- হালধি ৩- স্তনযুগল ৪- ঘঁহি ( নবীন……… মণ্ডিয়ে= স্তন যুগলত নতুন হালধি ঘঁহি ) ৫- কাজল ৬- দুটা ৭- সানি ( কজ্জলে ……… ৰঞ্জিয়ে= চকু দুটাত কাজল সানি ) ৮- ভোজন কৰি ৯-গায় ১০—মথনিৰ লগে লগে গীতৰ সুৰ মিলাই ১১-কাণৰ অলঙ্কাৰ ১২- গাল ১৩— ওলমি থকা ১৪- পাট ১৫- দধি মথোঁতে জৰীৰ টানৰ লগে লগে বুকুৰ স্তনযুগল কঁপিছে ১৬- ওখ, ডাঙৰ ( উধনীয়া ) ১৭- দেখি ১৮- বখানিছে, বৰ্ণাইছে ১৯- নিৰীক্ষণ কৰি, ২০- যশোদাৰ ২১- আগত ( অগ্ৰ> অগ্গ> আগ ) ২২- আছে ( থিতি কৰা ) ২৩- ৰং-ধেমালি

যশোদা ॥ হে বাপু কৃষ্ণ! তোহো হামাৰি কোটি পুৰুষক পৰম দেৱতা, মাথাক মুকুট, শিৰৰ ভূষণ, গলাক[১] সাতসৰী,[২] কৰ্ণৰ কুণ্ডল, কৰৰ[৩] কঙ্কণ। আহে বাপু! তোহাৰি অৰুণ[৪] অধৰক বালাই[৫] লঞো। মধুৰ হাস্তে ৰহয়া যাঞো, ৰাতুল[৬] চৰণক ছুয়া মৰিয়া যাঞো। ভালাৰে নয়না কিনা মধুৰ মূৰুতি! ভালাৰে খেলনা বাপু! তোৰ অতি শিশুকালে পুতনা শুষিলা, চৰণক আগু শকট উচাটন[৭] কয়ল; চক্ৰবাতক[৮] প্ৰাণ লেলহ। বহু শিশুভাৱ কৰিয়ে হামাক বহুত আনন্দ কৰাৱয় থিক।

সূত্ৰ ॥ যশোৱা ওহি পৰকাৰে কৃষ্ণ গুণ বৰ্ণাইতে দধি-মথনক শ্ৰম জানয়ে নাহি। শ্ৰীকৃষ্ণ মাৱক শ্ৰম দেখিয়ে, নিজগুণ বৰ্ণনা শুনিয়ে মনে বোলয়ে লাগল।

শ্ৰীকৃষ্ণ ॥ হামু পৰম ঈশ্বৰ লক্ষ্মীক নায়ক। ইহাৰি গৃহে ভকতিক বশ্য[৯] হুয়া ৰহৈছি। হামু জীৱক পৰম দুৰ্ল্লভ[১০]। হামাকু পাই মনপূৰণ নাহি ভেল। বস্তুক বাঞ্ছা নাহি টুটত। হামাৰ ভকতা গোপীসৱক কোপ কৰিয়ে লৱণু অধিক কৰিয়ে গোপীসৱক দণ্ড[১১] কৰিতে অতয়ে[১২] শ্ৰম কৰিতে লাগল। ইহাঙ্ক[১৩] আজু লৱণু তুলিতে নাহি দেৱব।

পদ ॥ মাৱক শ্ৰম পেখিয়ে[১৪] তুলি হাসি।
মথন-দণ্ডে[১৫] ধৰল হৰি আসি॥

১- ডিঙিৰ, ২- ডিঙিত পিন্ধা হীৰা-মুকুতাৰ সাতমেৰীয়া মণি, ৩- হাতৰ ৪- সূৰ্য্যৰ দৰে ৰঙা ৫- বিপদ, আপদ ৬- ৰঙা ৭- ওভোতাই পেলোৱা ৮- এটা ভয়ঙ্কৰ পখী। শিশুকৃষ্ণক আকাশলৈ উৰুৱাই লৈ যোৱাত ডিঙি চেপি ধৰি কৃষ্ণই বধ কৰিছিল। ৯- অধীন ১০- সহজে পোৱা টান, ১১- শাস্তি ১২- ইমান ১৩- ইয়াক ১৪- দেখি ১৫- মাৰি, লাঠি



তেজল মথন যশোমতী মাই।
মাধৱ দীন মূৰুখমতি গাই॥

সূত্ৰ ॥ শ্ৰীকৃষ্ণ ওহি বুলি হাসি হাসি মাৱক নিকট চাপিয়ে মথনি-দণ্ড ধৰিয়ে ৰহল। তাহে পেখি যশোদা বোলল।

যশোদা ॥ আহে পুতা শ্ৰীকৃষ্ণ! লৱণু তুলিতে সময় ভেল[১]। পাক[২] জুৰাইলে লৱণু নাহি পাৱব। তুহু মথনি-দণ্ড ছোড়হ[৩]।

শ্ৰীকৃষ্ণ ॥ (হাসি) আহে মাই! তোহাৰি তন পান কৰিতে বহুত ইচ্ছা হুয়া আছে। হামাকু তন পান কৰাৱ। হামু তন পান কৰিয়ে খেলানে চলব। তুহু অনন্তৰে লৱণু তোলব।

সূত্ৰ ॥ শ্ৰীকৃষ্ণক নিৰ্বন্ধ[৪] দেখিয়ে যশোদা বোল।

যশোদা ॥ ওহি চণ্ড[৫] বালক! পয়োধৰ[৬] নপায়া অৱ[৭] ছোড়ব নাহি। ইহাক তনপান কৰায়ে পঠাঞো।

সূত্ৰ ॥ ওহি বোলি যশোদা হাসি হাসি কৃষ্ণক কোলে তুলিয়ে বদনে চুম্বন দিয়ে আনন্দে তনপান কৰাৱত। শ্ৰীকৃষ্ণ পৰম সন্তোষে মাৱক তনপান কৰয়ে লাগল। সোহি সময়ে গোপীসৱে যশোদাক ডাকি বোলল।

গোপী ॥ হে মাই! যশোদে! ঘোসি[৮] দিয়ে থালি ভৰিয়ে যে খীৰ থৈয়া আছ সে উতলি পৰয়। তুহো ৰাখো গিয়া। হামুসৱ অৱজৱ[৯] নোহো। মাই! সত্বৰে[১০] আৱ, সত্বৰে আৱ।

সূত্ৰ ॥ তাহে শুনিয়ে যশোদা বোল।

১- হ'ল ২- পাগ, তাপ ৩- এৰি দিয়া ৪- অলৰ-অচৰ কথা, দৃঢ় প্ৰতিজ্ঞা ৫- দুষ্ট, ধূৰ্ত্ত ৬- পিয়াহ, স্তন ৭- এতিয়া ৮- জুইৰ আধা, জুই ৯- আজৰি ১০- শীঘ্ৰে

**যশোদা** ॥ আহে পুতা ! গোৱালীসৱে ডাকয় । ঘোসিক খীৰ-দুধ উথলি পৰয় । হামু তাহেক ৰাখোগিয়া । তুহু তনপান ছোড়হ ।

**সূত্ৰ** ॥ যশোদাক বোলে শ্ৰীকৃষ্ণ তনপান নাহি ছোড়ত পেখিয়া যশোদা কোপে কোল হন্তে[১] মাটিত ঠেক্‌চাই থৈয়াকহু লৱৰি খীৰ ৰাখিতে গেল । তথি[২] গিয়া খীৰ উতাৰি[৩] থওঁ বুলি তথি ৰহল । শ্ৰীকৃষ্ণ মাৱক ভাৱ দেখিয়ে বোল ।

**শ্ৰীকৃষ্ণ** ॥ হামু কোটি কোটি ব্ৰহ্মাণ্ডক নায়ক । ব্ৰহ্মাদিদেৱক পৰম দেৱতা । হামাকু মহা মহা যজ্ঞে সন্তোষ কৰাইতে নাহি পাৰত । সে হামু নিজগুণে ভকতক বশ্য হুয়া, ভকতসৱে শ্ৰদ্ধায়ে যে বস্তু হামাকু দান কৰত, তাহেক হামু পৰম সন্তোষে হামাৰ উদৰৱৰ্ত্তী ব্ৰহ্মাণ্ডসৱক শুদ্ধ বস্তুৱে পৱিত্ৰ হোক বুলিয়ে ভোজন কৰোঁহো । আঃ ভক্তসৱে যে বস্তু দেৱত, তাহেক মাত্ৰ ভোজন কৰোঁহো । কিন্তু ভকতক কৃপায়ে চৌৰি[৪] কৰিকহু ভকতক বস্তু স্বীকাৰ কৰোঁহো । দেখু দেখু, হামাক ওহি সাহঙ্কাৰী[৫] নিদাৰুণী গোৱাৰী সামান্য শিশু বুলিয়ে তনপান ছোড়ায়া মাটিত আছাড়ি পেলাই খীৰ ৰাখিতে গেল । হামাতো কৰিয়ে কড়া-দুইক[৬] খীৰ অধিক মানল । তাহেক হানি হইতে গাৱ নাহি সহল । দেখো, আজু হামো হানি কৰিতে পাৰোঁ কি নাহি পাৰোঁ তাহেক দেখোক ।

**সূত্ৰ** ॥ ওহি বোলি শ্ৰীকৃষ্ণ কোপে পটাপুত্ৰ[৭] হানিয়ে মথনি-মাঠি[৮] ভাঙ্গিয়ে দধিসৱ নাশিয়ে খোপি[৯] পশিয়ে[১০] বানৰসৱ সহিতে যৈচে লৱণু ভোজন কৰত তা দেখহ

---

১– পৰা (হন্তে- প্ৰাচীন অসমীয়া ৫মী বিভক্তি) ২– তালৈ,তাত ৩– নমাই ৪– চুৰি ৫– মই বৰ ভাৱৰ, অহঙ্কাৰী ৬- সামান্য মূল্যৰ ৭– পটাগুটি ৮- যি পাত্ৰত গাখীৰ ৰাখি মথন কৰা হয় ৯- কোঠালি ১০- সোমাই



শুনহ ; নিৰন্তৰে হৰি বোল হৰি ।

**গীত** ॥ ৰাগ গৌৰী ॥ পৰিতাল যতি

**ধ্ৰুং** ॥ তনপান বিনে ৰোষিত[১] গোৱিন্দ[২]
কোপিত জননীক লাই[৩] ।
হামাকু পয়োধৰ পান ছোড়াই
খীৰ ৰাখিতে গয়ো মাই ॥

**পদ** ॥ অৰুণ অধৰ দুহো কোপে কম্পাৱত
ওষ্ঠ কামুৰি ধাৰ দন্ত ।
পটাপুত্ৰ হানি মথঠি–মাঠি ভাঙ্গি এ
খুপি বৈঠল ভগৱন্ত ॥
উবল উৱৰে[৪] চৰি লৱণু ভুঞ্জন্ত হৰি
বানৰসৱ লৈয়া সাথে[৫] ।
পিণ্ড লৱণু বানৰ মাঝে খেপল[৬]
বানৰে ধৰয় লুম্ফি[৭] হাতে ॥
খীৰ উতাৰি আসিয়ে মাই দেখল
ভাঙ্গল মথনি মথাই[৮] ।
সৱ দধি নাশল কতিহু[৯] পলাৱল
দীন মাধৱে গুণ গাই ॥

**সূত্ৰ** ॥ তদনন্তৰ যশোদা খীৰ নমায়া আসিকহু দেখল মথন-মাঠি[১০] ভাঙ্গল ; সব দধি নাশ ভেল ।

**যশোদা** ॥ অঃ ওহি কৃষ্ণক কাম ! তেখনে কোলা-হন্তে নামৱে নাহি ; হামু বলেসে নমাৱলোঁ । তন পান কৰিতে নপাৱল, সোহি কোপে মাঠি ভাঙ্গিয়ে দধি নাশ কৰিকহু মাৰণক ভয়ে পলাৱল । আগে ঘৰ মাঝে চাওঁ ।

---

১- খঙাল ২- সকলো কথা যা ভাষা জনা ( গো- বেদ, ভাষা, বিদ-জনা ) ৩- প্ৰতি, ৪-ওপৰত, ৫-লগত, ৬-দলিয়াই দিয়া, ৭-জঁপমাৰি, ৮-মাধৱ (শ্ৰীকৃষ্ণ) ৯-কলৈ, ক'ত, ১০-মাটিৰ কলহ ।

সূত্ৰ ॥ ওহি বুলি যশোদা হাতে বাৰি[1] ধৰিয়ে পাৰ মাৰিয়ে খোপি পশিয়ে দেখল শ্ৰীকৃষ্ণ উৰল উৱৰে বৈঠিকহু নৱীন হয়ঙ্গমী[2] আপুনি ভোজন কৰত, বানৰসৱকো ভোজন কৰাৱত। তদনন্তৰ মাৰক পেখিয়ে ভয়-শঙ্কিত নয়নে শ্ৰীকৃষ্ণ যৈচে পলাৱত, যশোদা যৈচে পাচু পাচু খেদয় তাহে দেখহ শুনহ; নিৰন্তৰে হৰি বোল হৰি।

গীত ॥ ৰাগ কামোদ ॥ যতিমান

ধ্ৰুং ॥ পলাই জগতপতি নন্দজায়া যশোমতী
লক[3] ধাৰ পাচু পাচু ধাই[4]।
কৰি আছোঁ অপৰাধ কৰহু[5] নাহিকে বাধ
তাড়ণ এবান নযাই ॥

পদ ॥ ভাঙ্গিয়া মথনি মাঠি দধি সৰ কৈলোঁ নাঠি[6]
নৱীন লৱণু আছে খায়া।
মাৰৰ উঠিছে ৰাগ[7] নপাই নছাড়িব লাগ
ভয়ে কাম্পে থিৰ নুহি কায়া ॥

যশোদা ॥ হে বালক! তুহু আৰ কতি[8] যাৱব? ৰহ ৰহ, হামাকু আগু আজু পলাৱব? তুহু যাহাঁ যাৱব হামু তাহাঁ খেদব। চৌৰি কৰিয়ে দধি-দুগ্ধ-লৱণু খায়া সৱ গকুল ছন্ন কৰিয়ে হামাকু হাত লগাৱল? আজু তোহাক তাড়না কয়ে[9] শিখাৱব।

পদ ॥ লাগল পাইলোঁ ৱঞ্চি আৰ কতি যাইবি তঞ্চি
কত দুখ দিয়া আছে মোৰে।
পলাই আজি যাইবি যথা আমি ধায়া যাইবোঁ তথা
আৰ লাগ নছাড়িবোঁ তোৰে ॥

১-লাঠি ২-লৱণু, মাখন ৩-সক লাঠি, ৪-খেদি যায় ৫-কেতিয়াও ৬-নষ্ট ৭-খং ৮-ক'লৈ ৯-কৰি



মহা মহা যোগীগণে পৰম নিৰ্মল মনে
চিন্তিয়া নপাই লাগ যাৰে।
সবাৰে আতমা হৰি হাতে গোপী লক ধৰি
ধায়া ফুৰে তাৰে মাৰিবাৰে ॥
জননীৰ দুখ দেখি হাতে কচালিয়া আখি[1]
কান্দিয়া ৰহিলা যেন ডৰে[2]।
দেখিয়া যশোদা ৰাণী তনয়ৰ ভয় জানি
ধৰিলা তেজিয়া বাৰি কৰে ॥
যাৰ স্মৰণে ডৰি কালো[3] কাম্পে তৰতৰি
যাৰ নামে মুকুতি মিলয় ॥
জননীক হুয়া ভয় কাম্পয় হৰি হেনয়
দীন মাধৱ দাসে কয়।

সূত্ৰ ॥ তদনন্তৰ শ্ৰীকৃষ্ণ মানুষ ভাৱ পেখায়া পলাইতে যেন নাহি পাৰিয়ে মাৰক ভয়ে হাতে আখি ঢাকিয়ে কান্দিতে ৰহল। যশোদা পুত্ৰক ভয় দেখিয়ে হাতক বাড়ি পেহলায়া কৃষ্ণক কৰে ধৰিকহু আপুন গৃহে আনিয়ে যৈচে গৰুক পাগে[4] কৃষ্ণক বান্ধিতে লাগল তাহে দেখহ শুনহ; নিৰন্তৰে হৰি বোল হৰি।

গীত ॥ ৰাগ কানাড়া ॥ পৰিতাল

ধ্ৰুং ॥ লৱণু-চোৰা বুলি যশোৱা মাই।
গোকণ্ঠ[5]-পাশে[6] বান্ধয় যদুৰাই ॥

পদ ॥ পূৰ্ব্বাপৰ-অন্ত-নাহি-যাহাক[7]।
সোহি পৰম গুৰু জগত-আধাৰু[8] ॥

১-চকু ২-ভয়ত ৩-যমো ৪-পঘাৰে ৫-গৰুৰ ডিঙি ৬-পঘাৰে (৫-৬-গৰু বন্ধা পঘাৰে) ৭-আদি-মধ্য-অন্ত নাই যাৰ ৮-জগতখন ধাৰণ কৰোঁতা

বাহিৰ ভিতৰ যাকেৰি নাই ।
গোৱাৰি বান্ধে লৱণু-চোৰা পাই ।
গাৱ-সন্ধানে[১] যশোৱা ৰজু[২] টানে ।
জোড়য় নাহি আঙ্গুল দুহু মানে ॥
পুনু পুনু ৰজু বিচাৰ কয় আনি ।
উদৰে মেঢ়াই বান্ধয় সতী টানি ॥
তবহোঁ[৩] নোজোৰে আঙ্গুল দুহোঁ পাশে ।
পেখিয়ে গোপ-ৰমণীসৱ হাসে ॥
হৰিকহোঁ তত্ত্ব জানয় নাহি কোই[৪] ।
মাধৱ কহ গতি গোৱিন্দ মোই ॥

**সূত্ৰ** ॥ যশোদা লৱণু-চোৰা পাই কৃষ্ণক বান্ধয় শুনিয়ে গোপীসৱ যশোদাক ঠামে[৫] আৱল[৬] । সোহি সময়ে শ্ৰীকৃষ্ণ নিজ যোগমায়া বেকত কৰল । যশোদা কৃষ্ণক উদৰে জৰি মেঢ়াই আনিতে দেখত আঙ্গুল দুই আটয়ে নাহি । পুনু আৱৰ[৭] জৰী আনিয়ে জোৰায়া বান্ধত, সেহি আঙ্গুল দুই আটয়ে নাহি । ওহি পৰকাৰে বাৰে বাৰে ঘৰ মাঝে যত জৰী পাৱল সবকহু জোৰায়া মেঢ়াৱত, তবহু দুই আঙ্গুল আটয়ে নাহি দেখিয়ে গোৱালীসৱে যশোদাক বোলল ।

**গোপীসৱ** ॥ হে মাই যশোদা ! তোহাৰি ঐচন দাৰুণ হৃদয়, ওহি মাণিক-পুতলী শ্ৰীকৃষ্ণ সৱ গোকুলক জীৱপ্ৰাণ, তোহাৰি নিজ বালক, আহেক কোন অপৰাধে অতয়[৮] ৰাগে গৰুক পাগে উদৰে কৈচন বন্ধন কৰহ । কোন ছাৰ[৯] পুৰাতন[১০] কলসখানি ভাঙ্গল, কড়া দুইক ধন[১১]

১-শৰীৰৰ জোখাৰে ২- ৰচী । ৩- তথাপি ৪- কোনেও ৫- ঠাইলৈ ৬- আহিল ৭- আক <অপৰ> অৱৰ <আৰ+উক> উ [৮-ইমান ৯- সামান্য, মূল্যহীন (কেতিয়াবা ৰেছি বা মূল্যবান. অৰ্থতো হয়) ১০- পুৰণি ১১- তেনেই কমমূল্যৰ ।



হানি কয়ল । গোৱাল ঘৰে দধি-দুগ্ধ-লৱণু কে পুছত, কমন হানি ভেল ? হে মাই ! কৃষ্ণক মহিমা নাহি দেখত, অতয়ে জৰী জোৰায়া বন্ধন কৰিছ, তব কি বান্ধিতে পাৰহ ? অতয়ে মহিমা দেখিয়ে তথাপি জ্ঞান নাহি উপজল ? তবহু কৃষ্ণক বান্ধিতে আশা কৰিতেছ ? হে মাই ! তোহাৰি পায়ে লাগোঁ, ওহি প্ৰাণধন কৃষ্ণক বান্ধবি নাহি ।

**সূত্ৰ** ॥ গোপীসৱক ঐচন বাণী শুনিয়ে যশোদা কোপ কৰিয়ে বোলল ।

**যশোদা** ॥ আহে গোৱাৰীসৱ ! ওহি কৃষ্ণক কত অপযশ হামাকু আগে কহৈছ । আজু আৰ্দাসক[১] সময় নাহি হয় । হামাকু বাধা কৰিতে আৱল ? অব যে বোলল তাহে হামু সহলোঁ ; আৰ যব বোলহ তব হামাকু বাত[২] বুজব ।

**সত্ৰ** ॥ ওহি বুলি যশোদা গোপীসৱক ভৰ্ৎসিয়ে (১)[৩] পুনু কৃষ্ণক বান্ধিতে লাগল ।

**ৰোহিণী** ॥ হে সখী যশোদে ! আজু তোহো কি ভেলি ? গোকণ্ঠ-পাশে কৃষ্ণক বান্ধিতে লেলি ? তোহাৰি ঐচন কঠিন-হৃদয় ভেলি ? ওহি প্ৰাণ-পুতলী কৃষ্ণক স্নেহ কৈচন দূৰ গেল ? ওহি কৃষ্ণক বাৰম্বাৰ[৪] কত অপৰাধ সহৈছ ? আজু তাহাৰ যত অপৰাধ কয়ল তাহেক সহলি নাহি ? ওহি কৃষ্ণক আপুন পুত্ৰ বলাইতো[৫] শতগুণ অধিক দেখোঁ । হামু জানো তোহো আপুন প্ৰাণতো অধিক দেখহ । সখি ! বৃদ্ধ নন্দে যত ধন-জন-প্ৰাণ

১- আদৰ, মৰম-স্নেহৰ ২-কথা ৩-ভৰ্চনা কৰি, গালিপাৰি ৪- বাৰে বাৰে ৫-বলোৰামতকৈ (বসুদেৱ-ৰোহিণীৰ পুত্ৰ)

(১) তৰ্থিয়ে, (২) তৰ্জিয়ে

সবাতো অধিক দেখত। সোহি কৃষ্ণক ওহি অৱস্থা দেখিলে তোহাৰি কুশল নাহি। হে সখি! তোহাৰি গোৰে[১] লাগোঁ, ওহি কৃষ্ণক প্ৰতি কোপ তেজহ। দেখোঁ, অতয়ে জৰী জোৰায়া কি কৃষ্ণক বান্ধিতে পাৰহ? কৃষ্ণক সুন্দৰ কটি[২] মুঠিতে লুকাই, তাহেক অতয়ে ৰজু জোৰয়ে নাহি। ঐচন মহিমা দেখিয়ে তবহু কৃষ্ণক নাহি জানত? ওহি মনুষ্য-বালক নহি; প্ৰভাৱ দেখিয়ে হামু জানল, ওহি জগতক কাৰণ নাৰায়ণ। কোটি কোটি ব্ৰহ্মাণ্ড যাহাৰ ৰোমৰন্ধ্ৰে[৩] থিক, জগত-তাৰণ কাৰণ, তোহাৰি উদৰে মানুষ ৰূপে অৱতৰল; ওহি জগতক আতমা। ইহাক দেখিয়ে সৱলোক আনন্দ মিলল; ঐচন কৃষ্ণক তোহো কৈচন বন্ধন কৰহ? ইহাৰ অৱস্থা দেখিয়ে হামু কৈচন প্ৰাণ ধৰোঁ? কমল-নয়নক নীৰ[৪] বহয়। সুন্দৰ বদন মলিন ভেল। সব শৰীৰ কম্পয়। ইহা দেখি কৈচে মৰিয়ে নযাওঁ? হে সখি। কৃষ্ণক ছোড়ি[৫] হামাক বান্ধস।

সূত্ৰ ॥ ওহি বুলি ৰোহিণী যশোৱাক পাৱে ধৰিয়ে ক্ৰন্দন কয়কহু, ভূমি লুটি পৰিয়ে ৰহল। ৰোহিণীক ঐচন কাকু-বাণী[৬] যশোদাক কৰ্ণ গোচৰে যাৱয়ে নাহি। কৃষ্ণক বান্ধিতে আক্ৰোশ তেজয়ে নাহি।

যশোদা ॥ ওহি গোপীসৱক আগু আজু হামু লাজ পাৱলোঁ। গৰ্ভক ছৱালক[৭] বান্ধয়ে নাহি পাৰল দেখিয়ে গোপীসৱ হাসিয়ে উপালম্ভ[৮] বোলব। আজু কৃষ্ণক নাহি বান্ধয়ে হামু ছাড়ব নাহি।

১-ভৰিত ২-ককাঁল ৩-লোমকূপ ৪-পানী ৫-এৰি ৬-কাকুতি, মিনতি
৭-লৰাক (সাৱালক> সৱাল> ছৱাল (ছলি(কামৰূপী) ৮-অসন্মান, অপমান



সূত্ৰ ॥ ওহি বুলি যশোদা পুনু বহুতৰ জৰী জোৰায়া বান্ধয়ে লাগল। ৰোহিণী সহিত গোপীসৱ হাহাকাৰ কয়কহু হৰি হৰি বোলিয়ে গালে হাত দিয়ে পুনু পুনু ক্ৰন্দন কৰিয়ে ৰহল। যশোদা কৃষ্ণক উদৰে ৰজু টানিতে বহুত শ্ৰম পাৱল; সৱ শৰীৰ ঘৰ্ম্মিত ভেল, গাৱক বসন খসি গেল, কেশ-বেশ খসল, খোপাক কুসুম খসিয়ে পৰল; তবহু বন্ধন তেজয়ে নাহি।

শ্ৰীকৃষ্ণ ॥ (মনে বোলে) আঃ হামাক মায়াৰ ঐচন অতৰ্ক[১] প্ৰভাৱ! হামু অতয়ে মহিমা দেখাৱল; তবহু হামাক নাহি জানল! হামাক বান্ধিতে আশা কয়কহু তবহু বহুত শ্ৰম পাৱল। হামু আপুনে বন্ধন যব নাহি লেহু, তব কি হামাক বান্ধিতে পাৰব? হামু ভকত-বৎসল[২] গুণে ভকতক অধীন। হামাৰি ভক্তা-জননীক মন পূৰণ কৰহু।

সূত্ৰ ॥ ওহি বুলি আপুনে বন্ধন লেলহ। যশোদা পুনু জৰী জোৰায়া উদৰে মেড়ায়া আনিকহু দেখল, জৰী আটল, অধিকাও[৩] ভেল। দশন কামুৰি গাৱক ৰলে টানি টানি বান্ধিতে কৃষ্ণক গাৰি[৪] দেই।

যশোদা ॥ আহে পুতা! হামাকু আগে মহিমা দেখাৱল, অতয়ে তুখ হামাক লগাৱল? দেখু, দেখু, তোহোক নাহি বান্ধিয়ে হামু নাহি ছাড়লোঁ! দেখু, তোহাক কমনে বন্ধন ছোড়ায়া ৰাখব।

শ্লোক ॥ ববন্ধ মাধৱঃ সৰ্ব্বং মায়য়া মোহখিলং জগত।
বধ্নাতি গোপী তমপি পশ্য ভক্তেৰ্ব্বলং মহৎ ॥

সূত্ৰ ॥ যোহি কৃষ্ণ আপুন মায়াপাশে ব্ৰহ্মা আদি অখিল[৫]

১-বুজিব নোৱাৰা, অদৃশ্য ২-দয়ালু, কৃপাময়, ৩-বেচিও ৪-গালি ৫-সমগ্ৰ

জগতকে বন্ধন কৰয় থিক, গোৱালী যশোদা ভকতি বলে তাহেক বান্ধয়। কৃষ্ণ ভকতিক মহিমা কি কহব? অনন্ত কোটি ব্ৰহ্মাণ্ডৰ ঈশ্বৰ হৈয়া ভকতক অধীন, ইহা জানি কৃষ্ণ-চৰণে মন থিৰ কয়কহু নিৰন্তৰে হৰি বোল হৰি।

শ্লোক ॥ ঘোৰস্য মোহশমনায় মিথো গুণেন
মধ্যে ববন্ধ জননী নৱনীতচৌৰম্।
তদ্বন্ধনং ত্ৰিজগতামুদৰাশ্ৰয়াণা-
মক্ৰোশকাৰণমহো নিতৰাং বভূব ॥

সূত্ৰ ॥ গোৱালসৱক মোহ দূৰ কৰিতে বহুতৰ গুণ জোৰায়া উদৰে বন্ধন কৰত, জানু দিয়া গাৱক বলে টানিতে কৃষ্ণক উদৰে যত লোক থিক তাৰাসৱ বন্ধন দুখ পাই হামুসৱ মৰোঁ মৰোঁ বুলি বহুত আৰ্ত্তনাদ কয় থিক। ঐচন পৰকাৰে যশোদা তৰ্জ্জনা[1] কৰিয়ে কৃষ্ণক বন্ধন কয়কহু, পুনু উৰুখল[2] সহিত গাণ্ঠি[3] দিয়ে ৰাখল থিক। গোপীসৱক ডাকিয়ে যশোদা বোল।

যশোদা ॥ আহে গোৱালীসৱ! ওহি কৃষ্ণক বন্ধন কতিহো ছোড়বি নাহি। যোহি বন্ধন ছোড়ে, ইহাক সাতি[4] তাহেক কৰব। হামু নিষ্ঠ[5] কয় বোলল। বৃদ্ধ নন্দে দেখোঁক আসিয়া।

গোপীসৱ ॥ হে মাঞি! কৃষ্ণক বন্ধন ছোড়িতে হামাৰ কোন প্ৰয়োজন থিক? ওহি তোহাৰি বালক, ইহাৰ তুহু বহুত অপৰাধ পাৱল। ওহিতো বন্ধন মাত্ৰ, লাগে খাণ্ডা[6] হানিয়ে কাটিয়ে থাৱ, তবে হামাৰ কি ভেল?

১- গালি, ধমকি ২- উৰাল ৩- গাথি ৪- শাস্তি ৫- নিশ্চয় ৬- দা, তৰোৱাল



সূত্ৰ ॥ ওহি বুলি গোপীসৱ বহুত অপমান কয়কহু আপুনে থানে গেল। ৰোহিণী যশোদাক নিদাৰুণ ভাৱ দেখিয়ে কৃষ্ণক বন্ধনদুখ নিৰেখিয়ে[1] নয়নক নীৰ[2] জুৰায়া বহুত অপমান কয় মৌনে ৰহল। কৃষ্ণক খেড়াক[3] বালকসৱ প্ৰাণ-বান্ধৱ মাধৱক ঐচন বন্ধন দুখ দেখিয়ে যশোদাক গাৰি দিয়ে ক্ৰন্দন কয়কহু কৃষ্ণক নিকটে ৰহল। আকাশে দেৱতাগণে কৃষ্ণক ভকত-বৎসল গুণ দেখিয়ে বিমানে গগণ ছানি ৰহল। শ্ৰীকৃষ্ণ যশোদাক যে প্ৰসাদ[4] দেলহ ব্ৰহ্মা লক্ষ্মী ওহি প্ৰসাদ নাহি পাৱত। ওহি যশোদা-নন্দন ভগৱন্ত পৰম দেৱতা জ্ঞানীক কৰ্ম্মীক প্ৰৱম দুৰ্লভ, ভকতক পৰম সুলভ ইহা জানি আহে লোক! শুদ্ধভাৱে কৃষ্ণ-চৰণ শৰণ সাৰ কৰিয়ে নিৰন্তৰে হৰি বোল!

শ্ৰীকৃষ্ণ ঐচন বন্ধ পায়া মন্দ মন্দ ৰোদন[5] কয়কহু হাতে তালে নয়নক নীৰ মাজিয়ে[6] বঙ্ক নয়নে মাৱক নিৰেখিয়ে উৰুখল সহিতে ধৈৰে পৰকাশ কয়ল, তাহে দেখহ শুনহ, নিৰন্তৰে হৰি বোল।

গীত ॥ ৰাগ বেলোৱাৰ ॥ ৰূপক তাল

ধ্ৰুং ॥ কম্পিত মাধৱ নয়ন জুৰাই।
কটি চাপি উৰুখল বন্ধন পাই ॥

পদ ॥ আৰকত কৰতল মাজিতে লোৰে।
মন্দ ৰোদন কৰু নৱনীত[7] চোৰে ॥
নৱনীত-কণা শ্যাম অঙ্গ বিৰাজে।
তাৰকগণ যচ গগণকু মাজে ॥
যাহে চৰণ-ৰেণু যোগী নপাই।
ভকতি-বলে তাকু বন্ধন কাই[8] ॥

১- দেখি ২- পানী ৩- খেলাৰ ৪- অনুগ্ৰহ, নিৰ্মালি ৫- ক্ৰন্দন ৬- মচি ৭- লৱণু, দধি ৮- শৰীৰ।

কহয় মাধৱ দাস দীন শুন মাই ।
ওহি জগত-গুরু স্তুত কাহা পাই ॥

শ্লোক ॥ নক্ষত্রমিৱ নবনীতকণারকীর্ণং ।
রক্ষঃস্থলোদৰমগোচৰমাগমানাম্ ॥
বাস্পাম্বুগর্ভিতভৰঙ্গিতনেত্রদ্মম্ ।
ব্রহ্ম স্মৰামি দৃঢ়বন্ধমুলূখলেন ॥
পৰমিমমুপদেশমাদৃয়ধ্বং নিগমবনেষু,
নিতান্তচাৰক্ষীণাঃ ।
বিচিনুত ভবনেষু বল্লবীনামুপনিবদর্থ-
মুলূখলে নিবদ্ধম্ ॥

সূত্র ॥ হে লোক ! তোৰাসৱক হামু এক পৰম উপদেশ বোলত, তাহেক শ্রদ্ধায়ে আদৰ কৰহ । তোৰাসৱৰ দুখ দেখিয়ে হামাৰ মনে খেদ জলয় । ওহি গহন বেদ-বন মাজে ব্রহ্মক নিতান্ত বিচাৰ কৰিতে বুদ্ধি সহিতে শৰীৰ খীণ ভেল । অব বেদ-বচন বিচাৰ ছাৰি গোৱাৰী যশোদাক ঘৰে সৱ-উপনিষদ-অর্থ ভগৱন্ত পৰমাত্মা ব্রহ্ম উকখলে নিচয়ে বন্দী হয়ে থিক । তাহেক দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি ।

তদনন্তৰে য়শোদা শ্রীকৃষ্ণক উকখলে বান্ধি থৈয়াকহু গৃহকর্ম্মে বেগ্র হুয়া ৰহল । তাহে পেখিয়ে, শ্রীকৃষ্ণ মনে গুণয়ে লাগল ।

শ্রীকৃষ্ণ ॥ দেখোঁ আজু হামু ভকতক হাতে আপুনে বন্দী হুয়াকহু বদ্ধ জীৱক সংসাৰ-বন্ধ ছোড়ন কৰব । ব্রহ্মা আদি যত দেৱতা থিক আছোক আনক বন্ধন ছোড়ব, আপুন বন্ধন দূৰ কৰিতে নাহি পাৰত । ইহা জানি সৱলোক হামাক পৰম ঈশ্বৰ মানি ভকতি কয়কহু সংসাৰ ঘোৰ নিকাৰ তৰব । কুবেৰক পুত্র দুহু, একক



নাম নলকুবেৰ■, অপৰক নাম মণিগ্রীৱ■, দুহু দেৱতা নাৰদক শাপে ওহি যবলার্জ্জুন[1] হুয়া ৰহল থিক । নাৰদক ৰৰদানে ওহি বৃক্ষ জনমতে হামাক স্মৰণ কয় থিক । আজু হামু পৰম ভকত নাৰদক বচন সাফলিয়ে ওহি দুহুঁকদুখ দূৰ কৰব ।

সূত্র ॥ ওহি বোলি শ্রীকৃষ্ণ মাৱক ভয়ে মাৰণক শঙ্কায়ে লাসে লাসে[2] উকখল টানিয়ে বৃক্ষ দুহুক মাঝ হুয়া চলিতে উৰল পথালি হুয়া বৃক্ষত লাগল । দেখিয়ে শ্রীকৃষ্ণ মাটিত জানু পাৰিয়ে কঙ্কাল[3] ফান্দিয়ে[4] টান দিয়ে বৃক্ষ দুহু উভজি পেহ্লাৱল[5] । মহা প্রচণ্ড শবদে বৃক্ষ পৰল । সোহি বৃক্ষ হন্তে দুহু দেৱতা দিব্যৰূপ ধৰিয়ে বাজ হুয়াকহু কৃষ্ণক দেখল । নাৰদক পৰসাদে[6] দুহু দেৱতা পৰম ঈশ্বৰ বুলি শ্রীকৃষ্ণক জানল । জয় জয় কৃষ্ণ বোলি দণ্ডৱতে বাৰম্বাৰ[7] পৰণাম কয়কহু কৰযোৰে জানু পাৰি নম্রভাৱে বৈচে তুতি কয় লাগল, তাহে দেখহ শুনহ ; নিৰন্তৰে হৰি বোল হৰি ।

গীত ॥ ৰাগ তুৰ ॥ যতিমান

ধ্রুং ॥ এ হৰি কৰিয়োঁ কৰিয়োঁ মেৰি করুণা মুৰাৰি[8] ।
ছাড়বো নাহি আৰ চৰণ তোহাৰি ॥

---

■ নলকুবেৰ আৰু মণিগ্রীৱ ঃ ধনাধিপতি কুবেৰৰ পুতেক । এদিন দুয়ো ককাই-ভায়েকে সুৰাপান কৰি উলঙ্গ হৈ নাৰীবিলাকৰ লগত জল-ক্রীড়া কৰি আছিল । তেনে উন্মত্ত অৱস্থাত নাৰদ মুনিক দেখা পাই সন্মান প্রদর্শন নকৰাত মুনিয়ে দুয়োকো অভিশাপ দিলে । নাৰদৰ অভিশাপৰ ফলত দুয়োৰে বৃন্দাবনত যমলার্জুন বৃক্ষ জনম লৈ ভগবান শ্রীকৃষ্ণৰ কৃপাত শাপমুক্ত হয় ।

১-দুজোপা (যুগ্ম) অর্জুন গছ ২-লাহে লাহে ৩-ককাঁল ৪-ফিন্দাই ৫-পেলালে ৬- কৃপাত ৭- বাৰে বাৰে ৮- মুৰ নামৰ অসুৰৰ অৰি ( শত্রু ) শ্রীকৃষ্ণ

পদ ॥ তুহু নিৰঞ্জন[১] যিটো জগত-আধাৰু[২] ।
ভাৰ হৰণ হেতু তুহু অৱতাৰু ॥
তাৰবি লোক বিনোদ[৩] পৰকাশি ।
তুৱা পদ-কমলে সেৱক ভেলোঁ আসি ॥
পূৰুব বাসনা দূৰ কৰহ হামাৰি ।
বচনে ৰহোক গুণ নাম তোহাৰি ॥
তুৱা কথা শ্রৱণে ৰহোক অবিৰাম ।
কৰ[৪] মেৰি ৰহোক তোহো কয়ো কাম ॥
তুৱা পদ সুমৰি ৰহোঁক মন থিৰ ।
তোহাৰি চৰণ বন্দি ৰহোঁ মোৰ শিৰ ॥
তুৱা নিজ মূৰুতি ভকতসৱ চাই ।
ৰহ মেৰি বয়ন মাধৱ গুণ গাই ॥

**দেৱতাদ্বয়** ॥ হে পৰমানন্দ, পৰমপুৰুষ পুৰুষোত্তম, দেৱক পৰম দেৱতা, জগতক আদি কাৰণ, প্ৰধান পুৰুষ-নিয়ামক[৫] সৃষ্টি-স্থিতি-প্ৰলয়-প্ৰৱৰ্ত্তক, ভগৱন্ত নাৰায়ণ ! তুহু ভূমিক ভাৰ হৰণ কাৰণে কপট মানুষ ৰূপে বেকত হুয়াছ । তুহু মাত্ৰ সত্য ; ওহি জগত মায়াময় । জানি তোহাৰি চৰণে শৰণ পশিয়ে কেৱলে ভকতিক মাত্ৰ আশা কৰহু । তোহাৰি অচিন্ত্য[৬] প্ৰভাৱ । ওহি জগতক বাহিৰে ভিতৰে অন্তৰ্য্যামী[৭]-ৰূপে জীৱক নিয়ম কৰিতেছ । যাৰা-সকল তোহাক ঈশ্বৰ জানিয়ে তোহাৰি চৰণ সেৱা কৰত তাৰাসৱ সুখে সংসাৰ তৰয় । যেসৱে তোহাক ভজয়ে নাহি, তাহেক কালৰূপে সংহাৰ কৰহ । হে প্ৰভো !

১- নাই অঞ্জন ( কাজল, মল ) নিৰঞ্জন, নিৰ্মল, দীপ্তিমন্ত ২- ধাৰণ কৰোঁতা ৩- আনন্দ, কৌতুক ৪- হাত ৫- নিয়ম কৰোঁতা ৬- মনৰ অগোচৰ, চিন্তিব নোৱাৰা ৭- সকলোৰে মনৰ ভাব বুজোঁতা



তোহাৰি নিজ দাস নাৰদক পৰসাদে তোহাক হামু জানল । হে কৃষ্ণ ! তোহাৰি পদ-কমলে কোটি কোটি পৰণাম কৰোঁহো । হামাক দাসকো দাস জানি কৃপা কৰহু । হামাৰি বচনে তোহাৰি গুণ-নাম মাত্ৰ ৰহোক, কৰ্ণ দুই তোহাৰি কথা শুনিয়া ৰহোক, কৰ দুহু তোহাৰি কৰ্ম্ম কৰিয়ে ৰহোক, তোহাৰি চৰণ সুমৰি হামাৰ মন ৰহোক, মস্তকে তোহাৰি চৰণ বন্দিয়ে ৰহোক, চক্ষুৱে তোহাৰি মূৰুতি ভকতক নিৰেখিয়ে ৰহোক ।

সূত্ৰ ॥ ওহি বোলি দুহুঁ দেৱতা কৃষ্ণ চৰণ নিৰেখিয়ে ৰহল ।

**শ্ৰীকৃষ্ণ** ॥ হে নলকুবেৰ-মণিগ্ৰীৱ ! হামাৰ ভকত নাৰদক কৃপায়ে তোৰাসৱক উত্তম মতি ভেল, হামাক পৰশনে দৰশনে সংসাৰ দুখ দূৰ গেল । তোহাক পৰমাৰ্থ যুগুত বচন শুনিয়ে পৰম সন্তোষ ভেলোঁ । তুহুসৱ যে প্ৰাৰ্থনা কয়ল সে সৱ পূৰণ হোক । অব আপুন থানে সত্বৰে চলিয়া যাৱ ।

সূত্ৰ ॥ কৃষ্ণক আদেশ শুনিয়ে বাৰম্বাৰ প্ৰদক্ষিণ[১] কৰিয়ে দণ্ডৱতে[২] পৰণাম কয়কহু আপুন থানে চলি গেল । তদনন্তৰে নন্দ আদি গোৱাল সকলে পৰম চণ্ড[৩] শব্দ শুনিয়ে লৱৰিয়া[৪] আসিকহু দেখল, জৱলাৰ্জুন বৃক্ষ দুহু উভাৰি পৰল ।

**শ্লোক** ॥ বিনাৱাতং ৱিনাৱৰ্ষং বিদ্যুৎপ্ৰপতনং ৱিনা ।
ৱিনা হস্তিকৃতং দোষং কেনেমৌ পাতিতৌ দ্ৰুমৌ ॥

সূত্ৰ ॥ গোৱালসকলে পৰম অদভূত দেখিয়ে চৌপাশে ফিৰি ফিৰি চাৱত, বিস্ময় হুয়া অন্যোঅন্যো বোল ।

১– চাৰিওফালে ঘূৰি ২– মাটিত দীঘল হৈ পৰি ৩– প্ৰচণ্ড ৪- দৌৰি

**গোৱালসৱ** ॥ হে গোৱালসৱ ! ওহি কি অদভুত, বাত নাহি, বৃষ্টি নাহি, নির্ঘাত বজ্রপাত নাহি, হস্তীসৱক বিক্রান্ত দোষ নাহি, অতয়ে কালক বৃক্ষ কৈচনে উভৰি পৰল ?

**সূত্ৰ** ॥ তদনন্তৰ বৃদ্ধ নন্দে দেখল বৃক্ষক মাজ পসিয়ে শ্ৰীকৃষ্ণক বান্ধ সহিতে উৰুখল টানিতে আচয় ।

**নন্দ** ॥ ( হাসি বোল ) অহো ওহি মাণিক-পুতলী কৃষ্ণক কমন দাৰুণ হৃদয় গৰুক পাগে উৰুখলে বন্ধন কয়ল ? হামু যত ধন জন জীৱন সবাতে অধিক ওহি কৃষ্ণক মানত । আহেক ঐচন অৱস্থা কমনে কয়ল ? ওহি বৃক্ষ পৰিয়ে প্ৰাণ-পুত্ৰ কৃষ্ণ ক্ষেণেকে মৰয়, কিন্তু হামু কতিহু প্ৰাণীক পীড়া নাহি কৰহোঁ, সোহি কাৰণে কৃষ্ণক গোসাঁঞি ৰক্ষা কয়ল । হে বাপু কৃষ্ণ ! তুহু হামাক আয়ুয়ে চিৰকাল জীৱ । তোহাৰি সকল আপদ দূৰ গেল । তোৰা বালাই লঞঁ । তোহাৰি জননী যশোদাক যে জানো তা কৰব ।

**সূত্ৰ** ॥ ওহি বুলি নন্দে কৃষ্ণক বন্ধন ছোড়ি ধূলা জাৰি কোলে তুলি গলায়ে চাপিকহু বদনে চুম্বন কৰি কহোঁ পৰমানন্দ ৰস পাৱল । সৱ শৰীৰ শিহৰল, নয়নে আনন্দ লোতক ঝুৰয়, মোক্ষতো অধিক সন্তোষ লভিয়ে ৰহল । তনন্তৰে গোৱালসকলে কমন পৰকাৰে বৃক্ষ পৰল তাহেৰ হেতু নাহি জানল । তাহে দেখি বালকসৱ বোল ।

**বালকসৱ** ॥ হে বৃদ্ধসৱ ! ওহি কৃষ্ণে মাজে উৰুখল টানি বৃক্ষ উভঙ্গি[1] পেলাৱল, হামুসৱ দেখল । আৱৰ অদভুত দেখল তা শুনহ । ওহি বৃক্ষ হন্তে অগনি সমান

১-- উভালি



ৰূপ ধৰিয়ে দুহু দিব্য-পুৰুষ বাজ হুয়াকহু কৃষ্ণক দণ্ডৱতে পৰণাম কৰিয়ে বহুত স্তুতি কয়ল । শ্ৰীকৃষ্ণে আশ্বাস বোলল । পুনু কৃষ্ণক প্ৰদক্ষিণ কৰিয়ে উত্তৰ দিশক চলি গেল ।

**সূত্ৰ** ॥ গোৱালসকলে ছৱালক[1] বাক্য বুলিয়ে নাহি মানল । কৃষ্ণক অতৰ্ক মহিমা তাৰাসৱ কতিহু নাহি জানত । তদনন্তৰ কৃষ্ণক কোলে কৰিয়ে নন্দ আপুন গৃহে আসিয়া গৃহিণী যশোদাক তৰ্জয়ে[2] লাগল ।

**নন্দ** ॥ আহে দাসীকো দাসী বান্দী, ঢাণ্ডী[3] গোৱাৰী ! ওহি প্ৰাণপুত্ৰ কৃষ্ণক কমন অপৰাধে গৰুক পাগে যৈচন খণ্টচোৰ[4] শত্ৰুক বান্ধয় তোহো সোহি পৰকাৰে বন্ধন কয়লি ? তোহাৰি কোন শত্ৰু ? হামু কত তপ কৰিয়ে দেৱক বৰে বৃদ্ধ বয়সত কৃষ্ণক পুত্ৰ পাৱল । সোহি প্ৰাণপুত্ৰ বৃক্ষ পৰিয়ে ক্ষেণেকে মৰি যাই, গোসাঁঞিক বৰেসে এবাৱল । তুহু কি নিমিত্তে মানুষী ভেলি ? ৰাক্ষসতো ধিক ! আপুন পুত্ৰক খাইতে চাৱল, কৃষ্ণক নখায়া হামাক খাৱ । আহে নাগিনী ! তোহাক বস্তুৱে নাটল ! কোন ছাৰ কলস ভাঙ্গল ! হামাৰ ঘৰে দধি-দুধ-লৱণু কে পুছত ? নদী বহাইতে[5] পাৰোঁ । তাহেৰ নিমিত্তে কৃষ্ণক অতয়ে শাস্তি কয়লি ? তোহাক আজু মাৰিয়ে প্ৰাণ লেৱবোঁ ; ৰহ ৰহ হামাক বাত বুজব ।

**সূত্ৰ** ॥ ওহি বুলি নন্দে মাৰিতে ধাৱল[6] । দেখিয়ে ৰোহিণী ৰাখল আসিয়া । তদনন্তৰ যশোদা নন্দক বোল ।

১- সক ল'বাৰ ২- দাবী দিয়া ৩- নিঃসন্তানা খকুৱা শকত তিৰোতা
৪- অঘাইত চোৰ ৫- বোৱাবলৈ ৬- খেদি গ'ল

**যশোদা ॥** আহে বুঢ়িয়া[১]। কাহেব আগে ঐচন বাগ[২] দেখাৱত ? তোহাবি ভাৱনা চূৰ কৰব। তুহু হামাৰি ৰাখোৱাল। নিশাভাগে উঠিয়ে কলস কণ্ডিয়া[৩] বাঞ্ছকা[৪] শিকিয়া জুড়িয়া কন্ধে কৰিয়ে মলিন বসন পৰিয়ে[৫] গোষ্ঠক[৬] চলবি, ধেনু ৰাখবি, গাই দুহিবি, দধিক ভাৰ বহিবি। হামু কনকটা,[৭] ঝনকটা[৮] ঘোল[৯] যে বস্তু দেৱত তাহেক ভোজন কৰবি। তুহু গৃহৰ কোন অধিকাৰ থিক ? ইহাৰ ভাল-মন্দ তুহু কি জানহ ? হামু গৃহেৰ গৃহিণী, সব অধিকাৰ হামাৰ। আহে বুঢ়িয়া! তোহাক কে পুছত ? ছিঃ হামাক মাৰিতে আৱল ? হামাক চাটু[১০] বুলিতে জনম যাই, আজু বাগ চৰল। ছিঃ ঘিনাসে লাগে। হামু কথা কহিতে জানো সব্ব-লোকে মন্দ বোলব। কি কৃষ্ণক ধুৱাইতে খুৱাইতে দুখ পাৱত আমাক মাৰিতে আশা কয় থিক ? হে ৰোহিণী! তোহো বাধা নাহি কৰবি, হামাক মাৰিয়ে চাহোক, তব হামাৰ বোল বুজব।

**সূত্ৰ ॥** ওহি পৰকাৰে যশোদা নন্দক চুপ কয়ল। নন্দে দোৱজ[১১] মাতিতে নাহি পাৰল। ই কথা ৰহোক। তদনন্তৰে শ্ৰীকৃষ্ণ যৈচে গোকুলবাসীক নানা বিনোদ-কৌতুক-ৰস-আনন্দ কৰাৱল তাহে দেখহ শুনহ, নিৰন্তৰে হৰি বোল হৰি।

---

১- বৃদ্ধ > বুড্‌ঢ > বুঢ়্‌ঢা.( হিন্দী ), বুঢ়িয়া [ বুঢ়া] ২-খং ৩- কঁৰীয়া ৪- যাওকা, ভাৰ বান্ধি বস্তু কঢ়িওৱা এচটা বেকা বাঁহ ৫- পৰিধান কৰি ৬- গৰু বথা ঠাই, গোৱালৰ গাওঁ ৭- কৰ্কৰা ৮- জকৰা, পইতা ভাত ৯- বোকাযুক্ত, মাখন তোলা গাখীৰ ১০- ভালৰি, মিছা প্ৰশংসা ১১- পুনৰ, দুনাই



**গীত ॥ ৰাগ কল্যাণ ॥ তাল খৰমান**

**ধ্ৰুং ॥** জয় জয় জগজন- তাৰণ[১] কাৰণ[২]
নাৰায়ণ বৰদেৱং[৩]।
হৰ[৪] চতুৰানন[৫] আদি অমৰগ[৬]
কৰু যাৱৰ পদসেৱং ॥

**পদ ॥** ৰোমবিবৰ-মহ[৭] কোটি কোটি অণ্ড[৮]
তাহুৰ সব কৰু ৰেণু[৯]।
নিজ-জন-ৰঞ্জন[১০] ভঞ্জণ[১১]-ব্ৰজ-দুখ
মোদি[১২]-বিনোদিত[১৩] বেণু[১৪] ॥
কলসি ভাঙ্গল দধিসৱ নাশল
কৰত ভোজন নৱনীতং[১৫]।
ভীতি[১৬] পলাৱল বান্ধল জননী
অর্জুন-ভঞ্জন ধৃক্তঃ ॥
নাচত গাৱত ভাৱ দেখাৱত
হাসত বহু ৰস-লাসে।
হৰিকহু চৰণ কমল-মধু-আশে
কহ দীন মাধৱ দাসে ॥

**সূত্ৰ ॥** ঐচন পৰকাৰে শ্ৰীকৃষ্ণ গোকুলবাসীক ৰঞ্জিয়ে নানান বিনোদ কৰিয়ে ৰহল থিক। হে লোক! দেখু দেখু, পৰম ঈশ্বৰ পুৰুষোত্তম ত্ৰিগুণ-নিয়ন্তা[১৭] গুণাতীত[১৮]

---

১- জগতৰ সকলোৰে ত্ৰানকৰ্ত্তা ২- হেতু ৩- সৰ্বশ্ৰেষ্ঠ দেৱতা ৪- মহাদেৱ ৫- চাৰিখন মুখ ( ব্ৰহ্মা ) ৬- যি সকলৰ মৃত্যু নাই, স্বৰ্গৰ দেৱতাসকল, ৭- লোম-কূপত ৮- ব্ৰহ্মাণ্ড, জগত ৯- সৰু, কণা ১০- আনন্দদাতা ১১- নাশ কৰোঁতা ১২/১৩ আনন্দিত ১৪- বাঁহী ১৫- মাখন, নৱণু ১৬- ভয় ১৭- সত্ত্ব- ৰজঃ- তম তিনিগুণৰ অধিকাৰী বা নিয়ামক ( সাংখ্য মতে মায়া হ'ল প্ৰকৃতি। প্ৰকৃতি ত্ৰিগুণাত্মক ) ১৮- মায়া বা প্ৰকৃতিয়ে ঈশ্বৰক বশীভূত কৰিব নোৱাৰে, ঈশ্বৰ গুণাতীত

পৰম দেৱতা জীৱক তৰণ নিমিত্তে আপুনে সাক্ষাত ৰেকত হুয়া কপট মানুষ-চেষ্টা দেখায়া বিবিধ লীলা বিস্তাৰ কয়ল । ইহাক শ্ৰৱণ-কীৰ্ত্তন কৰিয়ে সৱলোক সুখে তৰব । অন্যথা যে নিৰ্গুণ[১] দেৱতা সহজে জন্ম-কৰ্ম্ম-ৰহিত[২] ঈশ্বৰক ওহি গৰিহিত[৩] কৰ্ম্ম কৰিতে কোন প্ৰয়োজন থিক ? ওহি কৃষ্ণক বালক-চৰিত্ৰ মাঠি-ভাঙ্গি দধি নাশন, নৱণু-ভোজন, উৰল-বন্ধন, অৰ্জুন-ভঞ্জন যাত্ৰা যে সৱে শ্ৰদ্ধায়ে শুনে, শ্ৰদ্ধায়ে গাৱে, শ্ৰদ্ধায়ে ভাৱনা কৰয়, তাৰাসৱৰ শ্ৰীকৃষ্ণ চৰণে নিৰ্মল ভকতি বাঢ়ব । ইহা জানি কৃষ্ণ-চৰণে মন নিবিড় কৰিয়ে ডাকি নিৰন্তৰে হৰি বোল হৰি বোল ।

১- গুণৰ সীমা নাই যাৰ, নিৰাকাৰ ব্ৰহ্ম ২ জন্ম- কৰ্ম নাই যাৰ, ঈশ্বৰ ৩- গৰ্হিত, নিন্দিত

ইতি অৰ্জুন-ভঞ্জননামযাত্ৰা সম্পূৰ্ণ ॥